জ্ঞান-মালিনী

মফিজ্জুদ্দিন আহ্মদ্ হাজৰিকা

DISTRICT LIBRARY
GAUHATI

কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ এম্, এ, পৰীক্ষাৰ পাঠ্য,
ঢাকা বিশ্ববিদ্যালয়ৰ বি, এ, ডিগ্ৰীৰ পাঠ্য আৰু সদৌ
অসমৰ হাই স্কুল বিলাকৰ নিমিত্তে মনোনীত পাঠ্য।

জ্ঞান-মালিনী

(আগ-ভোৰা)

ভনোতা—

মফিজুদ্দিন আহ্মদ্ হাজৰিকা

(গভৰ্ণমেণ্ট) সাহিত্যিক পেঞ্চনাৰ; অসমৰ বুৰঞ্জী আৰু প্ৰত্নতত্ত্বানুসন্ধান বিভাগৰ কৰেস্পণ্ডিং মেম্বাৰ, সদৌ অসম সাহিত্য সম্মিলনৰ (১৯২৯ চনত) গোলাঘাটত বহা দ্বাদশ অধিবেশনৰ সভাপতি; অসমীয়া ভাষাৰ 'বানান কমিটী'ৰ মেম্বাৰ; ডিব্ৰুগড় জেইলৰ ধৰ্ম্ম-বক্তা আৰু ভূতপূৰ্ব্ব ভিজিটাৰ; আৰু ফাৰ্টাকিয়াল সহায়কাৰী চোচাইটিৰ মেম্বাৰ; ডিব্ৰুগড় মিউনিচিপেলিটীৰ (১৯৩২-৩৩ চেছনৰ) বেৰী হোৱাইট মেডিকেল স্কুলৰ 'বাচনি-কমিটী'ৰ আৰু ১৯৩৫ চনত ডিব্ৰুগড়ত হোৱা পুলিচ অফিচাৰ বিলাকৰ 'হিন্দুস্তানী পৰীক্ষা ব'ৰ্ড'ৰ ভূতপূৰ্ব্ব মেম্বাৰ; ডিব্ৰু কোঃ অঃ টাউন বেঙ্কৰ ভূতপূৰ্ব্ব ডাইৰেক্টৰ; ডিব্ৰুগড় অসম মুছ্লিম লিটাৰেৰী এছোচিয়েচনৰ ভূতপূৰ্ব্ব সভাপতি; সদৌ অসম ইছাৰাতে ইচলামৰ ভূতপূৰ্ব্ব সহঃ সভাপতি; ৰেড ক্ৰচ্ চোচাইটিৰ ডিষ্ট্ৰিক্ট্ ব্ৰাঞ্চৰ এচোচিয়েট; তত্ত্ব পাৰিজাত, মালিনীৰ বীণ, ইত্যাদি ভনোতা।

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক ঃ
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম

নৱম সংস্কৰণ ঃ
আগষ্ট, ১৯৫৯

মূল্য ঃ দুটকা মাত্ৰ

মুদ্ৰক ঃ
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

Prescribed as a Text-Book in Assamese for the M.A. Examination of the Calcutta and Dacca Universities, for the B.A. degree of the Dacca University, and also as a Text-Book for the High Schools in Assam.

JNAN-MALINI

(PART I)

A POETICAL BOOK IN ASSAMESE

BY

Mofizuddin Ahmed Hazarika

Government Literary Pensioner; Corresponding Member of the Department of Historical and Antiquarian Studies, Assam; Ex-President of the Twelvth Session, All Assam Literary Conference held at Golaghat (1929); Member, Assamese Spelling Committee, Assam; Religious Instructor and Ex-Visitor of the Dibrugarh Jail, Member of the District Committee, Prisoners' Aid Society, Dibrugarh; Ex-Member of—The Dibrugarh Municipality, The Selection Committee, Berry White Medical School (1932-33 Session)—The Examination Board (for Hindustani Examination) of the Police Officers held at Dibrugarh (1935); Ex-Director, The Co-op. Dibrugarh Town Bank; Ex-President, Assam Moslem Library Association, Dibrugarh. Ex-Vice-President, All Assam Ishaat-i-Islam; Annual Associate, Indian Red Cross Society, Dibrugarh District Branch (1936); Author of Tattwa Parijat, Malineer Bin etc. etc.

PLEASE

LAWYER'S BOOK STALL
GAUHATI : ASSAM

উছর্গা

মৰমৰ আই!

কত যে আমনি পাই, কত কষ্ট-দুঃখ খাই
কত আলৈ-আহুকাল সহি কত শোক;
কত দিন জ্বৰে-খৰে, পৰ্ দি দি উজাগৰে,
খুঁটি-খাব-পৰা এবে কৰিলাঁ যে মোক।
তাৰ শুটনি যে হায়! যদিস্যাতো একো নাই;
এই মালাধাৰি দিলোঁ তযু চৰণত;
কিন্তু যেন ঘিণ কৰি, নেপেলোৱাঁ দলি মাৰি,
এয়ে মাথোঁ হাবিয়াহ ক্ষুদ্ৰ জীৱনত।
ইয়ে মোৰ উপহাৰ, নোহে গজমতী হাৰ
নোহে কোন ৰাজ-মালা মণি-মুকুতাৰ,
মাথোঁ কবি-ফুলনিৰ তল-সৰা তোলনিৰ
বাণচেৰে-গঁথা এক আলাবাদু হাৰ।
এয়ে পতিয়ন মোৰ— হোজা নিগুণীয়া পোৰ
কুটাগছো মাতিৰীয়ে হেপাহেৰে লয়।
অতি ভকতিৰ দান, যদি কৰাঁ অপমান
নিছলাৰ ক্ষুদ্ৰ হিয়া পাৰিব যে জ'য় !!
তাত বাজে আৰু মোৰ, এই নিমাখিত পোৰ
কিনো আছে? কিনো দিম?—মৰমৰ আই!

সম্পত্তি কি ধন সোণ,   কিম্বা সুপুত্রীয়া গুণ,
    অকামিলা অধমৰ নাই একো নাই।
কিন্তু মুঠে আছে বোলোঁ—   এযুৰি চকুৰ লো,
    নিৰাশাত-ফুটি-পৰা এটি হুমুনিয়া,
মউ-সনা আই মাত,   আল-ধৰা দুটি হাত,
    এখনি নীৰস বুকু মৰু-সমনীয়া।

শক ১৮১৮
৯ বহাগ।

মাফজ।

বনামে যাহাঁদাৰে যাঁ-আফৰীং,
হেকিমে চখোন্ বৰ জবাঁ-আফৰীং :

—মচ্লেহ্নদ্দিন চাদি চিৰাজী।

GOVERNMENT
DISTRICT LIBRARY

OPINION

OF THE

NOWGONG TEXT BOOK COMMITTEE

MEMO No. 38

Dated NOWGONG, *the 25th February, 1897.*

Forwarded to Munshi Mofizuddin Ahmed, Dibrugarh, for information and guidance.

(*Sd.*) C. BHUYAN.

Extract from the proceedings of the meeting of the Text Book Committee, Nowgong, held on the 22nd February, 1897.

Examined "Jnyan-Malini" by Mofizuddin Ahmed.

RESOLVED that the following opinion be recorded :—

"It is an excellent poetical work in Assamese. We are glad to find that the book is yet unparalleled for the sublimity of thoughts, flight of imagination and in the selection

of pure Assamese words for the expression of lofty thoughts. * * * On the whole the book is of sterling merit.

"We recommend the book for use as the Middle Vernacular Scholarship and the Pass Certificate Examination Course. It can also be read with advantage by the students going up for the Entrance Examination, when Assamese is added to the list of second language for that examination."

(*Sd.*) C. BHUYAN,
Secretary, Text Book Committee,
NOWGONG.

শলাগনী

OPINIONS OF THE PRESS AND THE PUBLIC

I

Times of Assam, Saturday, May 9, 1896—"Review—An Assamese Poetical book in manuscript named *Jnyan-Malini* (জ্ঞান-মালিনী) has been kindly placed in our hands by its author Munshi Mofizuddin Ahmed Hazorika, son of Moulvie Md. Himmatuddin Hazorika of Dibrugarh. To speak the truth, it has never been our lot before to have come across such a first class compilation in Assamese We have read books of the best Assamese writer, and we may say without exaggeration and without meaning any disrespect to other authors that the book under review is simply incomparable. In the selection of the subjects, for flight of imagination, sublimity of thought, elegance of style, and above all, for purity of language, the book is yet unparalleled. We doubt not that even the late lamented Hemchandra Boruah who might be called the parent of the Assamese language would have gladly given the palm to the author of *Jnyan-Malini* if he had lived to see the Book. It seems Munshi Mofizuddin Ahmed is not born to blush unseen. That his book will be highly welcome to the public when printed goes without saying."

II

I am very much obliged to the author for allowing me to read his "Jnyan-Malini," in manuscript. In compliance with his wishes to express my opinion on the book, I have great pleasure in stating that it is a collection of good poems. They show that the author is a close observer of nature and has applied his mind to the contemplation of several metaphysical problems. The poems abound in interesting reflections. In them there is real poetry. The special merit of these poems is that they are written in chaste Assamese in a very attractive style and show that lofy thoughts can be expressed in our language. I believe that this book when it is published will be read by the public with interest and may be profitably introduced in the higher classes in our schools. I have no doubt that they will receive due consideration from the educational authorities.

(*Sd.*) A. MAJID B.A. (Cal. and Cantab.)
LL.B. BARRISTER-AT-LAW
(Late District and Sessions Judge, Rajshahi, Bengal,
Legal remembrancer, Assam.
Judge of the Calcutta High Court.
Judicial member, Executive Council, Assam).

Bar Library,
Calcutta,
Nov. 19, 1896.

III.

'Inyan-Malini,' a Poetical work in Assamese, will be, when it is printed and published, a valuable acquisition to our library. From the reading of the manuscript given to

me for observation and remark. I am tempted to say that its author has nicely delineated what seemed to him to be sweet, good and profitable to the youths of Assam.

I am sure, we have few like the one under notice in good Assamese. The author has not laboured in vain for such production. A poetical work like this I would most gladly recommend, and its introduction in the schools where Assamese is taught is desirable.

Calcutta,
Nov. 20. 96.

(*Sd.*) GOLAB C. BEZBAROA,
L.R.C.P. & S. (Edin),
L.F. & S. (Glas.)

IV.

To

Munshi Mofizuddin Ahmed Hazorika,

My dear Munshi,

I must thank you for your kindness in allowing me to read your "*Jnyan-Malini*" part I, in manuscript. The book very well testifies your high abilities. Your thoughts are sublime and you have expressed them in pure Assamese metre. I shall be glad to see the book introduced in the higher classes of our Middle Vernacular and English schools.

1896.
18th September,

Yours Sincerely,
(*Sd.*) SIBRAM SARMA, B.A., B.L.
(Pleader of Dibrugarh Court; late Vice-Chairman of the Dibrugarh Municipality; Secretary Assamese Language Improvement Society. Dibrugarh).

V.

I can not adequately express the happiness I enjoy while going through *"Jnyan-Malini."* In brief, it is exceptionally a charming poetical book. Its sweetness of tone, elegance of style, systematic arrangement of the purest Assamese words and sublimity of thought fill one's mind with holy and divine contemplation.

An honest historian of Assamese literature will find himself puzzled in doing justice to our young writer, who commencing his devotion in causing improvement of the Assamese Language at so early an age, could surprise the literary public with gifts that would live as long as our literature exists.

24th September, 1896.

(*Sd.*) PADMA NATH BORUA,
Tahsilder, Dibrugrah.

VI.

'Jnyan-Malini' is the production of Munshi Mofizuddin Ahmed Hazorika, son of Moulvie Md. Himmatuddin Hazorika, the well-known and respectable Mahomedan citizen of Dibrugarh. I have been much thankful to our young author for his kindness in allowing me to go through his book once, and have no hesitation in pronouncing it to be by far the best and the ablest that has yet been written in Assamese.

Its introduction in the higher classes of our schools will be considered by every one of our countrymen as a

great favour shown by the authorities to our poor mother Language, the Assamese.

23rd September, 1896

(*Sd.*) MAL BHOG BORUA.
(*Hony. Magistrate*).
Proprietor of the Rajabheta Tea-Estate,
Dibrugarh (Assam).

VII.

This poetical book 'Jnyan-Malini' written by Munshi Mofizuddin Ahmed Hazorika, a youth belonging to a very respectable Mahomedan family of Assam, is a novelty in Assamese literature—a novelty the charms of which challenge our sincere admiration. Each lesson of this book is a poetry of heart-felt pathos—powerful from its sublimity and effecting from its tenderness. There is not a word or image in 'Jnyan-Malini' to disturb the placid tenor of sacred melancholy that pervades it, nor an idea or conception to break our dream of soft communion with some thing holy and far removed from earth.

There are no poems in Assamese that I know of, which are so thoroughly chaste and sweet, so rich in charms of poetry, and, therefore, none so well calculated to divert the taste of the play-going public and to effect its improvement in the way of high morality. I have no hesitation in declaring that it will revolutionize the existing style of poem-writing in Assamese by giving it a healthy tone and moral vigour which it so much wants.

It is reasonally expected that the Director of Public Instruction, Assam, will be so good as to introduce this capital book in the higher classes of the Englisn and Vernacular Schools in Assam.

(*Sd.*) JADURAM BORUA,
(*Honorary Magistrate; son of the late Well-known Moniram Dewan of Assam*).

VIII.

I have gone through the 1st part of the "Jnyan-Malini" in manuscript and am exceedingly glad to record my following testimonial in doing due justice to our young author Munshi Mofizuddin Ahmed Hazorika, may God bless him with a long life.

It is a nice poetical reader got up very cleverly indeed. The subjects chosen are judicious, useful and charmingly instructive; the thoughts depicted are at once lofty and sublime; and, above all, its language is chaste, simple, and of pure Assamese stock. The book when printed will, I believe, admirably suit for the poetical course in the Assamese language and literature for the Middle English and Middle Vernacular Examinations in Assam.

1st October, 1896.

(*Sd.*) AZIZUR RAHAMAN,
Khan Bahadur,
(Late Extra Asstt. Commissioner
Dibrugarh, Assam).

IX.

I have read with care and caution the manuscript that came incidentally into my hands, of some poetical pieces in Assamese entitled, JNYAN MALINI by Maulvie Mofizuddin Ahmed Hazorika, and find that the book bids fair to be the best of its kind. In his *Juvenelia* the author has shown the true poetic instinct which he is endowed with. The topics are happily chosen, the ideas are sublime and the design is executed in true poetic fashion; and what is more invaluable work has been so late in finding a place in the

noticeable is that some of the words are so artistically selected that their very sounds express the senses. What constitutes the supreme attraction of his work is his happy knack of expressing his lofty thoughts in homely Assamese words, pure and simple, which go to shew how rich is our so-called "corruption" language in point of its indigenous vocabulary. The region of poetry is, in my opinion, the proper field of author's literary activity and it is hoped that his labours in this direction will be crowned with success. The book has already met with a favourable reception in the hands of the public as it is borne out by the large assortment of testimonials, and the Text-Book Committee may fairly and wisely prescribe it as a Text-Book in the Middle Vernacular and Middle English Schools.

Calcutta, October 22, 1896. (*Sd.*) L. C. NAYAK, B.A., B.L. (*Pleader*)

X.

(From the Hon'ble Srijut Manik Chandra Barua, the late lamented Member of the Assam Legislative Council)

GAUHATI.
2-10-10

DEAR SIR,

Many thanks for a copy of your 'Jnyan-Malini' which I have read with very great pleasure. Your book has enriched our literature.

Wishing you every success.

Yours truly,
(*Sd.*) M. C. BARUA.

XI.

(From the Hon'ble Rai Sjt. Bhuban Ram Barua Bahadur, Member of the Assam Legislative Council).

GAUHATI, ASSAM.
29-10-10.

MY DEAR HAZORIKA,

I have carefully gone through your book and am glad to say that your book deserves good remarks. I hope you will again try to write another book in future.

Your sincerely,
(*Sd.*) BHOOBAN RAM DASS.

XII.

The Assam Herald, Nowgong, dated 15th February, 1912 :—

"We are indeed extremely delighted to learn that *Jnyan-malini* by Munshi Mofizuddin Ahmed Hazarika of Dibrugarh has been introduced as a text book in the High schools of Assam. One calling a spade a spade cannot but admit that *Jnyan-Malini* is the best poetical work in Assamese. Without meaning any disparagement to other authors it will be but asserting the bare truth that it is this work that has revolutionized the very style of poemwriting in Assamese and has shown them (the other Assamese authors) the way how poems of lofty thoughts can be written in chaste and pure Assamese. As it has already received the highly favourable verdict of all the best writers of Assam we do not think it necessary to add anything more in this respect. But we wonder, why even this invaluable work has been so late in finding a place in the

list of prescribed text books. By selecting this book our esteemed D. P. I. Hon'ble M. Hallward has not only favoured the author but has also done a great good to our poor mother language Assamese in as much as thus encouraging our gifted poet to a certain extent will lead to the publication of some other valuable works from his able hands—thus enriching our poor Assamese library. We respectfully draw the attention of our worthy D. P. I. and the other educational authorities in this regard and earnestly beseech that it may not again be neglected but introduced permanently in the first three classes of the High Schools and in the College classes in years to come."

XIII.

(From the Hon'ble Sjt. Ghanashyam Barua, B.A., B.L. the late lamented Education Minister of Assam Local Self-Government).

SHILLONG.
12-10-22.

My dear Hazarika,

Many thanks for your letter of the 2nd ult. and the copy of your beautiful book "Jnana-Malini" which you kindly sent me. The book has got only its just tribute from the public and the press. As for myself I told you already how charmed I felt at the first sight of the book many years ago. In reading it again now, I could not put it aside without finishing it and enjoyed the same pleasure over again. I feel that there is still more of it to be enjoyed and re-read.

Thanking you again.

Your sincerely,
(*Sd.*) GHANASHYAM BARUA,
(*Late Minister of Education, Local Self-Govt. Assam*).

XIV.

From

DINANATH DUTTA, B.A. :—

জ্ঞান-মালিনী অসমীয়া ভাষাৰ কাব্য-ফুলনীত এপাহি অপূৰ্ব্ব স্বৰ্গীয় পাৰিজাত। ইয়াৰ পদ আৰু কথা বিলাক অতি সোৱাদ; ভাব বিলাক তাতোকৈ ওখ। ইয়াৰ প্ৰত্যেক শাৰীতে অতি উজ্জ্বল ঘৰুৱা কথা বিলাকৰ সাজপাৰ পিন্ধি এটি মো-সনা উদাস আধ্যাত্মিক ভাব যেন সোত বোৱা-দি বৈছে; পঢ়ি থাকোঁ মানে এৰিবৰ মনকে নেযায় আৰু লগে লগে সংসাৰ-ভাবত জলাকলা হোৱা মনও চেঁচা লাগি আহে। আমি সমাজিকতো আশা নকৰিছিলোঁ যে আমাৰ এই দুখীয়া অসমীয়াভাষাৰূপী খনিৰ পৰা ইমান সোনকালে এনে এটি মোল নাইকিয়া মাণিক ওলাব পাৰিব। ইয়াৰ নিশ্ব-খনিকৰ পদাটিৰ ভাব বিলাক আমাৰ গীতাৰ লগত মিলে। লেখকে বিশ্ব-পঢ়াশালীৰ কোনো এটি ডিগ্ৰি নোপোৱাকৈয়ে যে ইমান দূৰ ভাব খেলাব পাৰিলে, তাৰ নিমিত্তে আমি তেওঁক হেজাৰ হেজাৰ বাৰ ধন্য বুলিছোঁ আৰু জগতৰ আন আন কবি সকলৰ শাৰীত শাৰীপুৰাবৰ তেওঁৰ পূৰা স্বত্ব আছে বুলি আমি চিনাকি পাইছোঁ। মুঠতে কবলৈ গলে, জ্ঞান-মালিনী কণাৰ লাখুটি, এন্ধাৰৰ বন্তি, ভকতৰ মাদলী। আশা কৰো যেন সকলো অসমীয়াই ইয়াৰ একোখনি লৈ মাজ-ঢোনা ও শেহ ঢোনা সোনকালে উলিয়াবৰ নিমিত্তে নতুন লিখাৰুৰ উছাহ বঢ়াই দিয়ে আৰু পুথি-বচা কমিটিয়েও যেন ছাত্ৰ-বৃত্তিৰ দৰে ওখ শ্ৰেণী বিলাকত চলাবৰ নিমিত্তে চেষ্টাৰ ত্ৰুটি নকৰে।

১৪ মাৰ্চ্চ,
১৮৯১

(Sd.) শ্ৰীদীননাথ দত্ত, বি, এ,

XV.

"জ্ঞান-মালিনী" আদিৰ পৰা অন্তলৈ পঢ়ি বৰ সন্তোষ লভিলোঁ। এই পুথি-খনি আধ্যাত্মিক ভাৱেৰে পৰিপূৰ্ণ। ইয়াৰ ভাব বিলাক বৰ ওখ। দুখীয়া অসমীয়া ভাষাত ইমান সোনকালে যে এনে ওখ ভাবৰ পুথি ওলাব তাক আমি আশা নকৰিছিলো। এই পুথি ওপৰ খাপৰ স্কুলৰ উপযুক্ত হৈছে। ইয়াৰ পদ-লালিত্য, ভাষাৰ কোমলতা আৰু কৌশলময় শব্দবিন্যাস দেখি লিখাৰুক ধন্যবাদ

নিদি থাকিব নোৱাৰিলোঁ। আশা কৰোঁ, ভাষানুৰাগী স্বদেশহিতৈষী মহোদয় সকলে এই পুথিৰ একো খনি গ্ৰহণ কৰি ভৱিষ্যতে তেওঁক এনে সৎকাৰ্য্যলৈ আগ বাঢ়িবলৈ উছাহ দিয়ে।

ডিব্ৰুগড়
১৯ চেপ্টেম্বৰ,
১৮৯৬

(Sd.) শ্ৰীপূৰ্ণকান্ত শৰ্ম্মা
(হিতকথা, জ্ঞানাংকুৰ, হৰিশ্চন্দ্ৰ নাটক ইত্যাদি কিতাপ ৰচোঁতা)

XVI.

From MR. LAKSHMINATHA BEZBAROA, B.A.,
Late Secretary, Assamese Language Improvement Society. Calcutta.
Editor of 'Bahi' and author of Several books.

মৌলবী মফিজুদ্দিন আহমদ হাজৰিকা।

প্ৰিয় মৌলবী,

আপোনাৰ "জ্ঞান-মালিনী" হাতে লেখা পুথিখনি ওপৰে ওপৰে এবাৰ লৰালৰিকৈ চকু ফুৰালোঁ।

মুঠতে কওঁ, আপোনাৰ পুথিখনি বিজোপন হৈছে; পঢ়ি বৰ সুখী হলোঁ। এই পুথিয়ে অসমীয়া সাহিত্যক ভাব আৰু ভাষাৰে, ভালেমান চহকী কৰিলে। আপোনাৰ ভাব শুদ্ধ, ভাষা ললিত, আৰু তাক প্ৰকাশ কৰিবৰ গঢ় অতি সুৰলা। কবিতা লেখিবলৈ আপুনি কাপ ধৰা সাৰ্থক হৈছে। আপোনাৰ ওচৰত মোৰ খাটনি এই ফেৰা, যেন আপুনি এই কাপ হাতৰ পৰা নেৰিব, অসমীয়া সাহিত্যৰ ডিঙিত মাজে সময়ে এনেকুৱা একোধাৰ গন্ধপতা পিন্ধাই থাকে।

কলিকাতা, ১৮।১০।৯৬ (Sd.) শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা, বি, এ,

XVII.

From MR. RADHANATH PHUKAN, M.A., B.L. Late Addl. Judge, Assam Valley Districts; (at present) Registrar of Co-operative Societies, Etc. Assam.

'জ্ঞান-মালিনী'ৰ হাতেৰে লেখা পুথি পঢ়িবলৈ পাই বৰ ৰং পালোঁ। আমাৰ ভাষাত এই বিধৰ পুথি এই খনিয়েই প্ৰথম। ইয়াৰ ভাব বিলাক যিমান গধুৰ ভাষাও সিমান ভাল। পুথি খন পঢ়ি কব নোৱাৰি যে লেখকৰ এইয়ে প্ৰথম উদ্যম। মধ্য ইংৰাজি আৰু ছাত্ৰবৃত্তি পৰীক্ষাৰ পাঠ্য হবৰ এই পুথি সম্পূৰ্ণ উপযুক্ত।

(Sd.) শ্ৰীৰাধানাথ ফুকন, এম্, এ, বি, এল,

কলিকাতা,
২২।১০।৯৬

(*Sd.*) RADHANATH PHUKAN, M.A., B.L.
Late Secretary, Assamese Language Improvement Society, Calcutta.
Late Subdivisional Officer, Sonamganj.
Addl. Judge, Assam Valley Districts.
Registrar of Co-operative Societies Etc. Assam.

XVIII.

From MR. KANAKLALL BOROOAH, B.A., B.L. The retired Dy. Commr.. Ex-Director of Industries, Etc. and Ex-Minister, Assam Legislative Council :—

"জ্ঞান-মালিনী" আগৰপৰা গুৰিলৈ এবাৰ পঢ়ি চাই বৰ ভাল পালো। মালা বচকৰ কৌশল বাস্তৱিকতে শলাগিবৰ লগীয়া। কোন ধাৰি মালাত কি কি ফুল বাছি লৈ কেনে ধুনীয়াকৈ গাঁথিব লাগে তাক তেওঁ ভালকৈ জানে। এনে কাৰিকৰৰ হাতৰ বস্তুৰে যে যতে ততে যাৰে তাৰে পৰা আদৰ পাব তাত মোৰ অকণো সন্দেহ নাই; কবিৰ ৰচনা যেনে সুৰলা আৰু মিঠা ভাৱও তেনে ওখ। নিখুত ঘৰুৱা অসমীয়া শব্দৰে যে ইমান গূঢ় ভাব বিলাক ভালকৈ প্ৰকাশ কৰিব পাৰি তাক বোধ কৰোঁ বহুতে আগেয়ে নেভাবিছিল। দৰাচলে অসমীয়া ভাষাত সংস্কৃত শব্দৰ ইমান কম সহায় লৈ এনে ভাবপূৰ্ণ কবিতা লেখা বোধ কৰো এক প্ৰকাৰ অসম্ভব। শুধ ঘৰুৱা অসমীয়া শব্দৰ ভঁড়াল যে তেনেকুৱা বঙ্গালী শব্দৰ ভঁড়ালতকৈ বেছি চহকী এই পুথি এবাৰ পঢ়িলেই তাক বুজিব পাৰি। অসমীয়া পঢ়াশালিৰ ওপৰ শ্ৰেণীত চলিবলৈ যে এই পুথি সম্পূৰ্ণ উপযুক্ত তাক কোৱা বাহুল্য মাথোন।

(Sd.) শ্ৰীকনকলাল বৰুৱা, বি, এ, বি, এল,

২৩।১০।৯৬
কলিকতা

The Retired Deputy Commr.,
Ex-Director of Industries, Etc. and
Ex-Minister, Assam Legislative Council

XIX.

From Mr. RAMAKANTA BARKAKATI, B.A., B.L.—

জ্ঞান-মালিনী (আগ-চোবা) শ্ৰীযুক্ত মৌলবি মফিজউদ্দিন আহ্‌মদ্ হাজৰিকা ডনোতা—এই পুথিখন পঢ়ি বৰ বং পালোঁ। ইয়াৰ ভাব দ; ভাষা সুৰলা; দৃষ্টান্ত সাৰুৱা; কথা ঘৰুৱা; ছন্দ মধুৰ, মনমোহা আৰু ধুনীয়া—পঢ়ি এৰ্মনি নেলাগে, পঢ়িলে পঢ়ি থাকিবৰ হে মন যায়। হাজৰিকাৰ যে মাতৃ-ভাষাত বিশেষ অধিকাৰ আছে আৰু শাস্ত্ৰত বিশেষ জ্ঞান আছে, জ্ঞান-মালিনীয়েই তাৰ ফট্‌ফটিয়া প্ৰমাণ। আমাৰ দৃঢ় বিশ্বাস যে তেওঁ এই লিখা অভ্যাস নেৰিলে কালক্ৰমে এজন প্ৰসিদ্ধ জাতীয় কবি হৈ উঠিব; আৰু আশা কৰোঁ জ্ঞান-মালিনী প্ৰকাশ হৈ ওলালে সকলোৱে আদৰ কৰিব আৰু শিক্ষাবিভাগৰ কৰ্ত্তৃপক্ষ সকলৰো ইয়ালৈ সুদৃষ্টি পৰিব।

কলিকতা,
১৮২৮ শক
৩০ কাতি,

(Sd.) শ্ৰীৰমাকান্ত বৰকাকতি, বি, এ, বি, এল,

RAMAKANTA BARKAKATI, B.A., B.L.
Editor, 'Jonakee'; Secretary A. I. I Society; Examiner, C. University;
(Late) Translator, High Court.

দ্বিতীয় তাঙৰণ

প্ৰথম তাঙৰণ ছপাওঁতে কিছু কিছু বৰ্ণাশুদ্ধি দোষ সোমাইছিল। এই বাৰ লৰালৰিকৈ যতদূৰ সম্ভৱ শুধৰাই দিয়া গল। আৰু পাঠ্য-পুথিত থাকিব নলগীয়া যি দু আষাৰ কথা আছিল তাকো চাইচিতি সলাই দিয়া হল। আশা কৰোঁ যেন আগলৈ পুথি-বচা কমিটিৰ মেম্বৰ সকলে এই নিমাখিতৰ ফালে এফেৰি সুদৃষ্টি ৰাখে।

গ্ৰন্থকাৰ।

তৃতীয় তাঙৰণ

দ্বিতীয় তাঙৰণ ছপাওঁতে প্ৰুফ চোৱাৰ ভাৰ ছপাখানাৰ গৰাকী আৰু কেইজন মান ছাত্ৰৰ হাতত দি থৈ অহাত ভালেমান বৰ্ণাশুদ্ধি দোষ থাকি গৈছিল, সেইবাবে সান্যাল কোম্পানিয়ে সৈতে অনেক লেখালেখি কৰি এখনকৈ শুদ্ধীয়া শুধৰণি পাত কিতাপটিৰ পাত লগাই দিব লগাত পৰিছিল। এই বাৰ যাতে সেই বিলাক দোষ নঘটে তাৰ বাবে উক্ত কোম্পানিয়ে বিশেষকৈ যত্ন লবলৈ

গ্ৰন্থকাৰ।

চতুৰ্থ তাঙৰণ

কলিকতাত প্ৰুফ চাওঁতাৰ অভাৱত তাঙৰণতো কিছু বৰ্ণাশুদ্ধি দোষ থাকি গৈছিল। সেইবাবে এই বাৰ আমাৰ থলুৱা নতুন 'অসমীয়া' ভাইটিৰ ন-কৈ পতা নতুন 'ছাপাখানা' খনিতে খুলি পুতিব খুজিছিলোঁ; কিন্তু শেহত ভাইটিয়ে 'আখৰ যোতোৰা কাৰ্বাৰ নাটীন' বুলি সমিধান দিয়াত, উপায় নাপাই আকৌ সেই কলিকতীয়া সান্যাল ভায়াহঁতৰ পাছ ধৰিব লগাত পৰিল। হেনজানি কিছু কিছু ভুল-ভ্ৰান্তিৰ ভয় এই বাৰো থাকিল। পঢ়ুৱাই সকলে পঢ়োঁতে যেন দয়া কৰি নিজগুণে পোনাই দিয়ে।

গ্ৰন্থকাৰ।

পঞ্চম তাঙৰণ।

কলিকতীয়া ছপাখানাত ছপালে প্ৰুফচাওঁতাৰ অভাৱত সদায় হীনডোঁঢ়ৰ হাত সাৰিব নোৱাৰাত পৰোঁ দেখি এইবাৰ তিনচুকিয়াৰ শ্ৰীলক্ষেশ্বৰ কানুনগুৰ

ছপাখানাত ছপাবলৈ দিহা কৰা হৈছিল; কিন্তু মুৰকত তেওঁ টুপাই বুৰমাৰি চৌঠেঙীয়া কৰাত উপায় নেপাই আকৌ সেই সান্যাল কোম্পানিৰ পাৰ্ত্তলিত পৰিব লগাত পৰিল। সেই বাবে যদি কিবা বৰ্ণাশুদ্ধি দোষ থাকি যায়, মৰষণৰ ভাৰ মহানুভৱ পঢ়ুৱাই সকলৰ দয়াৰ ওপৰত। দেশত মহাৰণৰ ফলত মহামাৰী আকাল। ছপা, কাকত সকলোৰে দাম জুই-চলু। উত্তম কাকত ব্যৱহাৰ কৰিবলৈ হেপাহ থকাতো কৰিব পৰা নহল। ইতি ১৩।১২।১৯

গ্ৰন্থকাৰ।

ষষ্ঠ তাঙৰণ।

এই থলত তেনে ভাল 'ছপাখানা' নোহোৱাৰ বাবে এই বাৰো কলিকতালৈকে আকৌ পঠিওৱা হল। গতিকে 'প্ৰুফ' চাই দিওঁতাৰ অভাবত কেনেবাকৈ কৰবাত বৰ্ণাশুদ্ধি দোষ থাকিবও পাৰে। আশা কৰো—তেনে আসোঁৱাহ চকুত পৰিলে পঢ়ুৱাই সকলে যেন পোনাই লয়।

গ্ৰন্থকাৰ।

সপ্তম তাঙৰণ।

অসমৰ শিক্ষাবিভাগৰ ডাইৰেক্টৰ চাহেব বাহাদুৰৰ ১৩।৫।২৫ তাৰিখৰ ৪৯২৩ / ১-টি/২১—২৫ নং চিঠি অনুসৰি জ্ঞান-মালিনীৰ বেচ খনে ।৶০ ছ অনাৰ ঠাইত ॥৶০ দহ অনা কৰা হল। (মাথোন পঢ়াশলীয়া তাঙৰণত।)

এই লাইব্ৰেৰী তাঙৰণত খৰচ বেচি পৰাতো ইয়াৰ বেচ মাথোন ১৲ এটকাহে ৰখা হল।

গ্ৰন্থকাৰ।

অষ্টম তাঙৰণ।

শিক্ষা বিভাগৰ গৰাকী সকল আৰু ৰাইজৰ অনুগ্ৰহত এই অষ্টম তাঙৰণো উলিয়াব লগা হল। আগৰ তাঙৰণৰ বৰ্ণাশুদ্ধি আদি চকুত পৰালৈকে চাইদিয়া হৈছে।

গ্ৰন্থকাৰ।

পাতনি।

(সমাজিক)

চ'ত মাহ। প্ৰকৃতি ধায়ে ছমহীয়া টোপনিৰ পৰা থক্‌মক্‌ কৰে উঠি আলাসৰ লাৰু কোলাৰ কেচুৱা, মৰমৰ সন্ততি, 'পৃথিবীক' লাহৰী হাতেৰে আঁকোৱালি ধৰি পুতো কৰিছে। খৰকালিৰ খচকনিত ঠেতুৱা ধৰি পেপুৱা লাগি থকা পৃথিবীৰ-গাৰ-নোম, গছগছনি বিলাকৰ আঁহ-পাঁহ মুকলি হৈ ঠন ধৰি ধৰি উলাহতে শিয়ঁৰি উঠিছে; আৰু সেই বাবেই সিহঁতে যেন নিফুট মাতেৰে গুণগাই ধাঙ্গীমাকৰ নথে শলাগ লৈছে। লগে লগে প্ৰকৃতিৰ ঘাই গিৰীহঁত **বিশ্ব-খনিকৰক** আঁজলিয়ে আঁজলিয়ে ৰঙা, বগা, সেউজীয়া, হালধীয়া নানা তৰহৰ ফুল দি হিয়া-তলি উদিয়াই যেন ভকতি জনাইছে আৰু বতাহৰ হেন্দোলনিত নিমিষে নিমিষে যেন মূৰ দোৱাঁই দোৱাঁই তেওঁক সেৱা কৰিছে। ফুল বিলাকেও এনে মৰমীয়াল ঘাই গিৰীহঁতৰ উছৰ্গিত নেওচা যাবলৈ পাই যেন ইপাহে সিপাহৰ গাত ঢলি ঢলি পৰি আনন্দ জনাইছে; মলয়াৰ বোকোচাত এবাৰ ওপৰলৈ উঠি এবাৰ তললৈ নামি ধেমালিতে উগ্ৰাৱল হৈছে;—আৰু সেই উলহমালহতে যেন তেওঁবিলাকৰ জগত মোহিনী হাঁহিৰ পোহৰে প্ৰকৃতি ৰাণীৰ গাতো জেউতি চৰাইছে। মৌ-পিয়া, টুনী, বুলবুলী, ফেঁচুলুকা, সখিয়তী আদি কৰি নানা বৰণৰ ৰঙিয়াল চৰাইবিলাকে আৰু ধেমেলীয়া টটাটিঙা কলীয়া ভোমোৰাই ফুল-কুৱঁৰী সকলৰ সেই আলহ-উদ্গত মন বান্ধিব নোৱাৰি চিলা থপিয়াদি থপিয়াই সুখৰ এভাগ এভাগ কাঢ়ি লৈ দূৰৈলৈ পলাইছে। তাতে যেন ফুলৰাণী সকলে মুখ আমোলাই চকু টুলটুলীয়া কৰি মূৰ জোকাৰি পিছ ফালৰ পৰা অতি কোমল লে-নীয়া মাতেৰে 'বা—বু'—বুলি আগলৈ হুমিয়াই থৈছে। কিন্তু সেই হুমিয়নিও যেন ৰহস্যৰ হে, বেজাৰৰ নহয়। যেনিয়ে চাই পঠিয়াওঁ দেখিবলৈ পাওঁ—ৰঙ, আনন্দ আৰু উলাহহে মাথোন; কোনিও যেন আমন-জিমন্, দুখ-বেজাৰৰ গোন্ধভাঁপেই নাই। বতৰো সদায় ফৰকাল। ৰ'দালীয়েও নেৰানেপেৰাকৈ পৃথিবী খনিক ৰহনাই আছে। (কেতিয়াবা কেনেবাকৈ) ছেগাচোৰোকাকৈ ডাৱৰে শুইন আকাশত একোবাৰ গোট্‌পিট্‌ খায়,—হঠাৎ গিৰ্‌গিৰ্‌ কৰে এজোলোকা বৰষুণ পেলায়; কিন্তু ততালিকে আকৌ নাইকিয়া হয়।

এনে বাঙ্‌ঢালী চ'ত মহীয়া এদিন ভৰদুপৰীয়া মোক দহ-মাহ-দহ-দিন-গৰ্ভত-ধাৰণ-কৰা মৰমৰ আয়ে লৰালুৰিৰ পে'-পে'-জে'-জে' আৰু ঘৰুৱা আলৈ-আহু-

ালৰ পৰা কোনো মতে হাত সাৰি ৰ'দ কাঁচলিত বহি এফেৰি ভাগৰ জিৰাইছে।
ই তেতিয়া পাঁচ বছৰীয়া, মাটিতে লেপেটি কাঢ়ি এটি একণি মান মাৰ্কাৰ ঘিলা
ল তেওঁৰ ওচৰতে উমলি আছোঁ। এনেতে ককাইদেৱে (ফাইজৰুদ্দিন আহ্মদে)
আৰ সৰু ভাই দুজনক (অৰ্থাৎ বদিওজ্জামাল আৰু চাইফুদ্দিন আহ্মদক) লগত
ল বাজৰ ফালৰ পৰা হেলাই-হেঁপাই আহি, "মফিজ! মফিজ! এই পিনে
আহাঁচোন চোৱাহি।—আজি হেনো দীঘলী ৰজাৰত কিবা এখন মেলা বহিছে।
ানুহৰ নিদিনা গোটেই বিৰ্-দিও বট পাবলৈ নাই। পৰ্জাৰ ওপৰত পৰ্জা—
বহানিৰ ওপৰত বেহানি, চাৰিও ফালে গোটেই দল্দোপ্হেন্দোল্দোপ্। চোৱাঁ-
হচোন চোৱাঁহি—কেনে হুৱাদুৱা, কেনে গলাগোপা, কেনে উখল্ মাখল্, কেনে
চল্ পাচল্!!"—এই বুলিয়েই তিনিওয়ে উভতি আকৌ আলিৰ ফাললৈ লৰ
িৰিলে। এনেই বুঢ়ীনাচনী, তাতে আকৌ নাতিনীয়েকৰ বিয়া; একেই লৰাৰ
ন, তাতে এনে এটি বাৰ্তাৰ—সি কি আৰু থিৰে থাকিব পাৰে? শুনিয়েই ৰঙত
তনি নাচদি তেওঁবিলাকৰ পিছে পিছে মইও লৰ ধৰিলোঁ। ততাতৈয়াকৈ আয়ে
পিছ ফালৰ পৰা মাত লগালে "তই নেযাবি, বোপাই! সিহঁতৰে সইতে যোতাশালী
াৰি—" এই খিনিৰে পৰা আৰু কি কলে শুনিবলৈ নেপালোঁ। চেকুৰ মেলি
পোন ছাতেই তেওঁবিলাকৰ লগে লগে আহি হাঁহি হাঁহি, আলি ওলালোঁহি।
নত ভাবিলোঁ আইৰ হাত সাৰি আহি ভাৰি বৰমতালি কৰিলোঁ। চাৰিওটি
চাই ককাই বাজ আলিৰ সোঁ মাজতে থুপ খালোঁহি। লৰাৰ লৰা-মেল; কিবা
এটি পাতি ভাঙ্গি আলচ কৰি ততালিকে খাটাঙ্কৈ থিৰ কৰিলোঁ; লাহে লাহে
এখুজি দুখুজিকৈ মেলাৰ পোনলৈ আগ বাঢ়িলোঁ। কিন্তু চকু হলে তবধ লগা
ভেলেঙী পহুৰ দৰে মেলাৰ জুমুৰি খনৰ ওপৰত। অৰ্থাৎ সেই সময়ত মেলাৰ
ুমেধাম দেখি আমাৰ আবলুখা বুকুৰ সিংহাসনত আনন্দ ভয় আৰু তবধালিৰ পৰা
ওপজা কিবা-জানো-কেনেবা এটা মিহলিভাৱে জুই-জাল ভমকেৰে ৰাজত্ব কৰিছিল।
যি কি নহওক, কেউটিয়ে লগে ভাগে অলপ দূৰ গৈছোঁ, এনেতে হঠাৎ আমাৰ
সোঁহাতৰ ফালে দেখিবলৈ পালোঁ—এটি পকিনাদ। নাদটিৰ চাৰিও কাষে এখনি
ফটিকৰ জেওৰা। জুমি চালে বাহিৰৰ পৰা ভিতৰলৈ কালিহি কালিহি মনিব
পাৰি; কিন্তু ভালকৈ একোকে চিনিব নোৱাৰি। বদিওজ্জামালৰ (অৰ্থাৎ মোৰ
পাছৰে যিজন ভাই তেওঁৰ) সেই নাদটিত চকুপৰা মাত্ৰকে পিয়াহ লাগিল; ততালিকে
কাকো নোসোধাকৈ পিয়াহ পূৰ কৰিবৰ নিমিত্তে কোন পিনে জানো কেনেকৈ
জপনা ডাঙি জেওৰাৰ ভিতৰ সোমাল। সোমোৱাহে দেখিলোঁ; কিন্তু আকৌ
তেওঁ বাজলৈ উলটি আহিল নে নাহিল তাক চাবলৈ আমি আৰু বৈ নেথাকিলোঁ।
বা দেখা পাইছোঁ বুলি বুকু ডাঠকৈ কবই নোৱাৰে। ইপিনে কিন্তু আমি

পাতনি।

(সমাজিক)

চ'ত মাহ। প্ৰকৃতি ধায়ে ছুমহ'ীয়া টোপনিৰ পৰা খক্‌মক্‌ কৰে উঠি আলাসৰ লাৰু কোলাৰ কেচুৱা, মৰমৰ সন্ততি, 'পৃথিৱীক' লাহৰী হাতেৰে আঁকোৱালি ধৰি পুতৌ কৰিছে। খৰকালিৰ খচকনিত ঠেতুৱা ধৰি পেপুৱা লাগি থকা পৃথিৱীৰ-গাৰ-নোম, গছগছনি বিলাকৰ আঁহ-পাঁহ মুকলি হৈ ঠন ধৰি ধৰি উলাহতে শিয়ঁৰি উঠিছে; আৰু সেই বাবেই সিহঁতে যেন নিফুট মাতেৰে গুণগাই ধাঈমাকৰ নথে শলাগ লৈছে। লগে লগে প্ৰকৃতিৰ ঘাই গিৰীহঁত **বিশ্ব-খনিকৰক** আঁজলিয়ে আঁজলিয়ে ৰঙা, বগা, সেউজীয়া, হালধীয়া নানা তৰহৰ ফুল দি হিয়া-তলি উদিয়াই যেন ভকতি জনাইছে আৰু বতাহৰ হেন্দোলনিত নিমিষে নিমিষে যেন মূৰ দোৱাঁই দোৱাঁই তেওঁক সেৱা কৰিছে। ফুল বিলাকেও এনে মৰমীয়াল ঘাই গিৰীহঁতৰ উছৰ্গাত নেওচা যাবলৈ পাই যেন ইপাহে সিপাহৰ গাত ঢলি ঢলি পৰি আনন্দ জনাইছে; মলয়াৰ বোকোচাত এবাৰ ওপৰলৈ উঠি এবাৰ তললৈ নামি ধেমালিতে উন্নাৱল হৈছে;—আৰু সেই উলহমালহতে যেন তেওঁবিলাকৰ জগত মোহিনী হাঁহিৰ পোহৰে প্ৰকৃতি ৰাণীৰ গাতো জেউতি চৰাইছে। মৌ-পিয়া, টুনী, বুলবুলী, ফেঁচুলুকা, সখিয়তী আদি কৰি নানা বৰণৰ ৰঙিয়াল চৰাইবিলাকে আৰু ধেমেলীয়া টটাটিঙা কলীয়া ভোমোৰাই ফুল-কুৱঁৰী সকলৰ সেই আলহ-উদ্গত মন বান্ধিব নোৱাৰি চিলা থপিয়াদি থপিয়াই সুখৰ এভাগ এভাগ কাঢ়ি লৈ দূৰৈলৈ পলাইছে। তাতে যেন ফুলৰাণী সকলে মুখ আমোলাই চকু টুলটুলীয়া কৰি মূৰ জোকাৰি পিছ ফালৰ পৰা অতি কোমল লে-নীয়া মাতেৰে 'বা—ৰু'—বুলি আগলৈ হুমিয়াই থৈছে। কিন্তু সেই হুমিয়নিও যেন ৰহস্যৰ হে, বেজাৰৰ নহয়। যেনিয়ে চাই পঠিয়াওঁ দেখিবলৈ পাওঁ—ৰঙ, আনন্দ আৰু উলাহহে মাথোন; কোনিও যেন আমন-জিমন্‌, দুখ-বেজাৰৰ গোন্ধভাঁপেই নাই। বতৰো সদায় ফৰকাল। ৰ'দালীয়েও নেৰানেপেৰাকৈ পৃথিৱী খনিক ৰহনাই আছে। (কেতিয়াবা কেনেবাকৈ) ছেগাচোৰোকাকৈ ডাৱৰে শুইন আকাশত একোবাৰ গোট্‌পিট্‌ খায়,—হঠাৎ গিৰ্‌গিৰ্‌ কৰে এজোলোকা বৰষুণ পেলায়; কিন্তু ততালিকে আকৌ নাইকিয়া হয়।

এনে ৰাঙঢালী চ'ত মহীয়া এদিন ভৰদুপৰীয়া মোক দহ-মাহ-দহ-দিন-গৰ্ভত-ধাৰণ-কৰা মৰমৰ আয়ে লৰালুৰিৰ পেঁ-পেঁ-জেঁ-জেঁ আৰু ঘৰুৱা আলৈ-আহু-

ালৰ পৰা কোনো মতে হাত সাৰি ৰ'দ কাচঁলিত বহি এফেৰি ভাগৰ জিৰাইছে।
ই তেতিয়া পাঁচ বছৰীয়া, মাটিতে লেপেটি কাঢ়ি এটি একণি মান মাৰ্কাৰ ঘিলা
ল তেওঁৰ ওচৰতে উমলি আছোঁ। এনেতে ককাইদেৱে (ফাইজুদ্দিন আহ্মদে)
াৰ সৰু ভাই দুজনক (অৰ্থাৎ বদিওজ্জামাল আৰু চাইফুদ্দিন আহ্মদক) লগত
ল বাজৰ ফালৰ পৰা হেলাই-হে'পাই আহি, "মফিজ! মফিজ! এই পিনে
াহাঁচোন চোৱাহি।—আজি হেনো দীঘলী ৰজাৰত কিবা এখন মেলা বহিছে।
ানুহৰ নিদিনা গোটেই বিৰ্-দিও বট পাবলৈ নাই। পৰ্জাৰ ওপৰত পৰ্জা—
বহানিৰ ওপৰত বেহানি, চাৰিও ফালে গোটেই দল্দোপ্হেন্দোল্দোপ্। চোৱাঁ-
হচোন চোৱাঁহি—কেনে হুৱাদুৱা, কেনে গলাগোপা, কেনে উখল্ মাখল্, কেনে
চল্ পাচল্!!"—এই বুলিয়েই তিনিওয়ে উভতি আকৌ আলিৰ ফাললৈ লৰ
বিলে। এনেই বুঢ়ীনাচনী, তাতে আকৌ নাতিনীয়েকৰ বিয়া; একেই লৰাৰ
ন, তাতে এনে এটি বাৰ্তাৰি—সি কি আৰু থিতে থাকিব পাৰে? শুনিয়েই ৰঙত
তনি নাচঁদি তেওঁবিলাকৰ পিছে পিছে মইও লৰ ধৰিলোঁ। ততাতৈয়াকৈ আয়ে
পছ ফালৰ পৰা মাত লগালে "তই নেযাবি, বোপাই! সিহঁতৰে সইতে যোতাশালী
াৰি—" এই খিনিৰে পৰা আৰু কি কলে শুনিবলৈ নেপালোঁ। চেকুৰ মেলি
পান ছাতেই তেওঁবিলাকৰ লগে লগে আহি হাঁহি হাঁহি, আলি ওলালোঁহি।
নত ভাবিলোঁ আইৰ হাত সাৰি আহি ভাৰি বৰমতালি কৰিলোঁ। চাৰিওটি
াই ককাই বাজ আলিৰ সোঁ মাজতে থুপ খালোঁহি। লৰাৰ লৰা-মেল; কিবা
এটি পাতি ভাঙিগ আলচ কৰি ততালিকে খাটাঙ্কৈ থিৰ কৰিলোঁ; লাহে লাহে
এখুজি দুখুজিকৈ মেলাৰ পোনলৈ আগ বাঢ়িলোঁ। কিন্তু চকু হলে তবধ লগা
ভলেঙী পহুৰ দৰে মেলাৰ জুমুৰি খনৰ ওপৰত। অৰ্থাৎ সেই সময়ত মেলাৰ
ুমধাম দেখি আমাৰ আবলুখা বুকুৰ সিংহাসনত আনন্দ ভয় আৰু তবধালিৰ পৰা
ওপজা কিবা-জানো-কেনেবা এটা মিহলিভাৱে জুই-জাল ভমকেৰে ৰাজত্ব কৰিছিল।
য কি নহওক, কেউটিয়ে লগে ভাগে অলপ দূৰ গৈছোঁ, এনেতে হঠাৎ আমাৰ
সোঁহাতৰ ফালে দেখিবলৈ পালোঁ—এটি পকিনাদ। নাদটিৰ চাৰিও কাষে এখনি
ফটিকৰ জেওৰা। জুমি চালে বাহিৰৰ পৰা ভিতৰলৈ কালিহি কালিহি মনিব
পাৰি; কিন্তু ভালকৈ একোকে চিনিব নোৱাৰি। বদিওজ্জামালৰ (অৰ্থাৎ মোৰ
পাছৰে যিজন ভাই তেওঁৰ) সেই নাদটিত চকুপৰা মাত্ৰকে পিয়াহ লাগিল; ততালিকে
কাকো নোসোধাকৈ পিয়াহ পুৰ কৰিবৰ নিমিত্তে কোন পিনে জানো কেনেকৈ
জপনা ডাঙি জেওৰাৰ ভিতৰ সোমাল। সোমোৱাহে দেখিলোঁ; কিন্তু আকৌ
তেওঁ বাজলৈ উলটি আহিল নে নাহিল তাক চাবলৈ আমি আৰু বৈ নেথাকিলোঁ।
বা দেখা পাইছোঁ বুলি বুকু ডাঠ্কৈ কবই নোৱাৰে। ইপিনে কিন্তু আমি

আচলতে তেঁতিয়াবে পৰা আজিলৈকে কেৰে আৰু তেওঁক কৰবাত লগ পাইছোঁ তিনিওৱে তেওঁলৈ বাট নেচাই অতি হেপাহেৰে ততাতৈয়াকৈ সেই বজাৰৰ গলালোপৰ ক্লাষ চাঁপিলোঁগৈ। সোমাব খুজিছোঁ, দেখোঁ—মানুহ গোটাচেৰেকে আগ ভেটি ভেটি ধৰে। শেহান্তৰত ককাইদেৱ আৰু চাইফুন্দিনে সিংহতৰে সৈতে বগিয়াৰ্বগিকৈ যেনিয়ে যেনিয়ে এফোঁৰ সেৰেঙা পালে সেই সেই পিনে পোট্-পোট্ কৰে সৰ্বাকি পৰিল; কিন্তু মই হলে ভেবা লাগি চাই থাকিলোঁ; প্ৰাণ টাকি চেষ্টা কৰিও কোনো মতে ভিৰ ঠেলি মেলাৰ ভিতৰ সোমাব নোৱাৰিলোঁ। খঙ, বেজাৰ আৰু লাজত মোৰ সেই লৰা কালৰ কুমলীয়া হিয়া খনি ভাগিছিগি টেঁপাটেপ হৈ পানীৰূপে চকুৰোদি বাজ ওলাল। তাৰ সোতত বুকু পেট সকলো বুৰি জুৰুলি জুপুৰি হলোঁ। অৰ্থাৎ মুঠ কথা হৈছে, ওপৰত উনুকিওৱা তিনি লাঠুৰাই মোক ভোদা যেন দেখি জোকাই জোকাই পেঙেলিয়াই পেঙেলিয়াই শেহান্তৰত কন্দুৱাই পেলালেগৈ। মই উচুঁপি উচুঁপি ফেঁকুৰি ফেঁকুৰি কান্দিলোঁ; শেহত দুখোজ মান পিছলৈ হুহঁকি আহি সুকলমে এঠাইত ডবক মাৰি থিয়ৈ থাকি আঁতৰৰে পৰা আমনজিমনকৈ মেলাৰ ৰেহৰূপ লীলা'মলা চাই মন পাতলিয়াবলৈ ধৰিলোঁ। কি কৰিম? তাত বাজেতো আৰু আন উপায় নাছিল। পঢ়ুৱাই সকলে আজি মোক এনে দৰে চেৰ পৰা দেখি কপালৰ গাঁঠি থোপাকৈ মনে মনে চাগৈ নথৈ শপিছে। কিন্তু ভৈয়াইহঁত সেই দোষ মোৰ নে? সেই দোষ মোব নহয়। মোৰ আই বোপাই দুগৰাকীৰো নহয়; মোৰ ভাই ককাই কেজনৰো নহয়। সি মোৰ গেৰেমালিৰ দোষ—সি মোৰ মুৰুখালিৰ দোষ—সি মোৰ এই পোৰা কপালৰ দোষ।

যাওক। আমনজিমনকৈ আঁতৰৰে পৰা মেলাৰ আওভাও চাই আছোঁ; অলপ পাছতে দেখিলোঁ—আমাৰ সমনীয়া এটি লৰাই মেলাৰ মাজৰ পৰা মিচিকিয়াই মিচিকিয়াই ওলাই আহি মোৰ ওচৰ চাপিল। তেওঁ অতি মৰমেৰে চেঁচনি-হাত ফুৰাই মোক নানা কথা বুজালে, আৰু আগৰ দুখ বেজাৰ পাহৰি যাবলৈ গোহাৰি কৰিলে। মইও তেনে এজন মৰমিয়াল বন্ধুৰ লগ পাই সকলো পাহৰি পেলালোঁ। দুইৰে মন দুইৰো লগত মিলিল; গতিকে মেলাৰ মাজলৈ নগৈও বাহিৰৰে পৰা ভিতৰত থকাতকৈও বঢ়া সুখভোগ কৰিবলৈ ধৰিলোঁ।

দেখিছোঁ—মেলা খনি এনে নো আটোমটোকাৰিকৈ পতা হৈছে যে, কোনোবা পিনে কোনবা বেমেজালি হ'ল বুলি কেৰে দায়কে ধৰিব নোৱাৰে। কোটিয়ে কোটিয়ে অৰ্ব্বুদে অৰ্ব্বুদে পোহৰ। ভাগে ভাগে ভিনে ভিনে বেলেগ বেলেগ বস্তু; কাৰো সৈতে কাৰো একণো মিল নাই। এবিধ বেহানিৰ লগত আন এবিধৰ লোটিপোটি নাই;—চামে চামে বানে বানে সুকীয়া বস্তু। যেনি বোজৰ

খোৱা-বোৱা বস্তু, সেই পিনে মাথোন দাইল, চাউল, লোণ, তেল, গুৰ, চেনি, গাখীৰ, ঘিউ, চুণ, পাণ, তামোল, খৰি, খেৰ, পাত ইয়াকেহে দেখি। যেনি উপহাৰ বস্তু, সেই পিনে মাথোন উপহাৰ বস্তুয়েইহে, যেনে (১) গছৰ গুটি—কল, কুঁহিয়াৰ, লেটেকু, পনীয়াল, দালিম, সুমথিৰা, আম, জামু, কঁঠাল, নাৰিকল, বৰটেঙা, ৰেবাব, চকলা, মৰি ইত্যাদি;—(২) মিঠে—ফেনিপিঠা, বৰপিঠা, তিলদিয়া পিঠা, চুঙা পিঠা, লাৰু, জেলেপি, খোৰ্মা, লুচি, পুৰি, ৰসগোল্লা, কেঁচাগোল্লা, পেৰা, বৰ্ফি ইত্যাদি। যি ফালে পিন্ধাউৱা বস্তু, তাত আকৌ ঠেঙা, চোলা, টকৈয়া, জোতা, মুজা, ছাতি, লাঠি, ঘড়ী, চেইন, আঙঠি, সোকা ইয়াকেহে মনি। এপিনে আকৌ, চকী, মুঢ়া, বাগী, ঘোৰা, মেজ, মাচিয়া, পীৰা, ধৰা, চালপীৰা, পালেঙ এয়েহে। আৰু যে কত কি আছে তাক কৈ অন্ত কৰিব নোৱাৰি। মুখ বুটি হ'ব—কাপ ভোঁটা হ'ব—কওঁতা বা লিখোঁতাই ভাগৰি ধেৰাই মেৰাই পৰিব, তথাপি তাক বৰ্ণনা কৰি অন্ত কৰিব নোৱাৰি, ইমান বস্তু! কিন্তু এটি কথা—এই বোৰ বস্তু বেচা যত বিলাক সাউদ দেখিলোঁ মানে, সকলো বিলাক আমাৰ এই দেশীয় ক'লা মানুহ। এই কলীয়া মুদৈ বিলাকক মাজত লৈ মেলাৰ চাৰিওফালে বেৰি, দাঁতিয়ে দাঁতিয়ে কিছুমান হলো চোলা-পিন্ধা, বিত-চকু-লগোৱা, তপামুৰীয়া চাহেবে শাৰী শাৰীকৈ পৰা মেজৰ ওপৰত এবিধ পহাৰ পাতিছে। সেই পহাৰ বিলাকৰ সংখ্যা ইমান সৰহ যে তাৰ লেখ-জোখেই নাই। হেজাৰ হেজাৰ যোজনলৈকে শুকুলা সাউদহঁতে সেই বিলাক পহাৰ মেলি বহি বহি আছে। চাৰিওফালৰ গৰাকীয়ে গৈ সেই বোৰ পহাৰতেহে বেচিকৈ জাঙুল খাই ধৰিছেগৈ। ইমান উদুলিমুদুলি হৈছে যেন গোটেই পৃথিবী দল্‌দোপহেন্দোল্‌দোপ। এখেৰে পৰা বিচুৰ্তি খাই আমিও সেই পোনেই ৰ লাগি একে ৰাহে চাবলৈ ধৰিলোঁ। দেখিছোঁ—গৰাকী বিলাকৰ মাজত ভালেমান চিনাকি মানুহো আছে। যেনে ডাক্তৰ আওৰঙশ্যাহ, এম, ডি; খেলিলুদ্দিন আহ্‌মদ্, বি, এ; ব্যাৰিষ্টাৰ আব্দুল মজিদ বি, এ, এল, এল, বি, আৰু সেই মোৰ মৰমৰ ককাই ভাই দুজন (ফাইজুদ্দিন আহ্‌মদ্ আৰু চাইফুদ্দিন আহ্‌মদ্)। পঢ়ুৱাই সকলে এইবাৰ আকৌ মোৰ ওপৰত খঙ হব পায়। তেওঁ বিলাকে মনে মনে চাগৈ কৈছে, "ইস্! নেদেখিছা, এওঁৰ মাথোন বংশ পৰিয়াল আৰু ভাই ককাই কেজনকহে দেখিলে আৰু কাকো দেখিবলৈকে নেপালে। মই কওঁ—হয়, আন আন ভালেমান মানুহকো দেখিছিলোঁ; কিন্তু মনত যে নেথাকিল। সেই বাবে এতিয়া মই জগৰীয়া নে? আপোনাৰ বংশ পৰিয়াললৈ যে এটি চেনেহৰ টান সকলোৰে আছে, সেই টানটিৰেহে যোল অনা দোষ; মোৰ তো নহয়। আপোনালোকে নো পাছে 'সুধাকৰ' 'সঞ্জীবনী'ত পেঞ্চিলৰ চিন দি দি, কোন জন ভাই ভাগিন এইবাৰ পৰীক্ষাৰ মহলাত উঠিব

পাৰিলে প্ৰথমেই তাকেহে উলিয়াবৰ চেষ্টা কৰে কিয়? তেনে কৰাৰ বাবে যদি আপোনালোক জগৰীয়া নহয়, তেন্তে মই নো অকলে কেনেকৈ হ'ম?

যাওক। সেই চাহেব বিলাকৰ পহাৰত দেখিছোঁ কি?—নে, এবিধ চাৰি চুকীয়াকৈ কটা সৰু, ডাঙৰ, মজলীয়া তাচ বা 'টিকেট'। তাচ বিলাক একে-আগি নহয়—নানান ৰঙেৰে ভমকা-ফুলীয়াকৈ বোলোৱা। সেই প্ৰত্যেক খনিৰ পিঠিত গোটাচেৰেক কলীয়া আখৰৰ চাপ। তাকে, ভাগে ভাগে, ভিনে ভিনে, থাক লগাই, সজাই থৈছে। সেই বোৰকে দেখি গৰাকীৰ উথপ্‌থপ্ লাগিছে। সেই উথপ্‌থপেই পাছত হেঁটাওপৰা আৰু দৰৰাদৰ্বাৰৰ ভাৰত পৈনত হৈ উঠিছেগৈ। হেঁটাওপৰাৰ মাজত খপিয়াখপিকৈ সেই তাচ বা টিকেটৰ কোনোৱে এখনি পাইছে, কোনোৱে বা তিনিখনি পাইছে, কোনোৱে আকৌ এখনিকো নাই। গৰাকী বিলাকৰ মাজৰ যিয়ে যিহকে পাইছে সি তাকে লৈ মেলাৰ উত্তৰ ফাললৈ জুমাজুমে যাবলৈ ধৰিছে; দেখিলেই হঠাৎ মনে ধৰে যেন ব্ৰহ্মপুত্ৰ নৈত ধল্‌হে উঠিছে। এই বোৰ দেখি, তাৰ একোকে ভু-ভটং নেপাই মই মোৰ লগৰীয়া বন্ধু জনক মেলাৰ অৰ্থ আৰু এই দল্‌দোপ্‌হেন্দোল্‌দোপৰ কাৰণ সুধিলোঁ। সোধাত তেওঁ বিচুৰ্তি খাই কলে, "বন্ধু! তুমি এতিয়াও এই বিলাকৰ একণকো ভু নেপালা নে? মই বোলোঁ তুমি ভু পাইছাঁহে হবলা। বাবু, তেন্তে কওঁ শুনা—এই মেলা খন যে দেখিছাঁ ই এখনি বজাৰ। ইয়াৰ ঘাই নাম হৈছে বিশ্বপঢ়াশালি (University) সৌ চাহেব বেপাৰিৰ পহাৰত তাচ বিলাক যে দেখিছাঁ ই মাথোন মাৰ-নাৱৰ ওপৰত উঠি নৈ পাৰ হোৱাৰ একোটি 'টিকেট' বা পাচ (Pass)। পিঠিত যে সেই কলীয়া আখৰ কেইটাৰে চানেকি লগাই লগাই ফুল-বছা যেন দেখিছা সি মাথোন এয়ে—ছাত্ৰবৃত্তি, এণ্ট্ৰান্স; এফ, এ; বি, এ; এম, এ; এল্, এম, এচ; এম, এচ, চি; এম, বি; এম, ডি; বি, এ, বি, এল; ব্যাৰিষ্টাৰ-এট্-ল ইত্যাদি। সৌৱা যে উত্তৰ ফাললৈ মানুহ বিলাকক যোৱা দেখিছাঁ, সেইয়া দৰৰাদৰ্বাৰৰ মাজত যি বিলাক গৰাকীয়ে 'পাচ' বেহাব পাৰিলে তেওঁবিলাকে নৈ পাৰ হ'বলৈ গৈছে। বলাচোন, চাওগৈ; আহাঁ। মোৰ পিছে পিছে খৰ্‌কৈ আহাঁ। সৌ পিনে দি ঘূৰি যাওঁ।"—এই বুলি মোৰ লগৰীয়া বন্ধুজনে অতি খৰ্‌তকীয়াকৈ যাবলৈ ধৰিলে। ময়ো তেওঁৰ পিছে পিছে খোজ্ ললোঁ। অলপ বেলিৰ পাছতে পাৰ-ঘাট পালোঁগৈ; কিন্তু তালৈ গৈ মোৰ এয়ে লাভ হল যে মানুহৰ গলাগোপাৰ মাজত মোৰ সেই লগৰীয়া বন্ধুজনক হেৰুৱালোঁ। কি কৰিম? কলৈ যাম? কেনি আহিছিলোঁ? হায়! হায়! এতিয়া অকলে কেনেকৈ উভতি যাম?—ইত্যাদি ভাবি চিন্তি বিবুধি হ'লোঁ। এবাৰ মৰমৰ বন্ধুজনৰ কথা ভাবি, এবাৰ নিজৰ অৱস্থাৰ কথা গুণি, মানুহৰ হেচ্-ঠেলৰ মাজেদি পুলুঙ্-পালাঙ্‌কৈ ভয়ত ইপিনে

সিপিনে চাই ফুৰিছোঁ, এনেতে হঠাৎ দেখিলোঁ নৈ পাৰ হবলৈ অহা মানুহ বিলাকৰ মাজত মোৰ পঢ়াশলীয়া বন্ধু শ্ৰীবাছালাল বৰুৱা। দেখিলোঁ তেওঁৰো হাতত এখনি তলখাপৰ শস্তীয়া 'পাচ'। যি কি নহওক, তেওঁক লগ পাই মোৰ সেই হেৰুৱা বন্ধুজনক লগ পালোঁ যেন মনত লাগিল। ভগা বুকু আকৌ যোৰা খালে;—হিয়া-আমঠু চাৰি আঙুল ডাঠ হৈ পৰিল। তেওঁ মোক দেখিয়েই মিচিক কৰেহাঁহিটি মাৰি "এ-এ-ভাই! তুমি কি কৰিছাঁ ইয়াত? আহাঁ, সিপাৰলৈ যাওঁ, আহাঁ?"—বুলি হাতত ধৰি লৈ গল। ময়ো আৰু হোঁ হেকো একোকে নকৰাকৈ, যেনিয়ে জোল যায় তেনিয়ে পাচলি যোৱাৰ দৰে লগে লগে যাবলৈ ধৰিলোঁ। কিছু দূৰ গৈ সেই নৈ-পাৰ-হোৱা ঘাট্‌টো পালোঁগৈ। এনেতে মাৰ-নাও আহি কাষ চাপিল। যাত্ৰীবিলাকেও ততালিকে লাফ মাৰি মাৰি ওপৰত উঠিল। লগে লগে বান্ধৱেও উঠিল, দেখাদেখি ময়ো উঠিলোঁ। তিতকালে ঘাটে আহি 'পাচ্ চাওঁ পাচ্ চাওঁ' বুলি যাত্ৰী সকলৰ হাতৰ পৰা 'পাচ্' বিলাক লৈ লৈ পৰীখ কৰি কৰি চাবলৈ ধৰিলে।—দেখিয়েই মোৰ চুলি আগে জীৱ গল! শেহত বাছালালক আহি খোজাত, তেওঁ সেই শস্তীয়া 'পাচ' ডোখৰিকে তৰঙাই যাত্ৰাত কোনো মতে ৰক্ষা পালে। কিন্তু মোক যেতিয়া আহি খুজিলেহি মই কি উত্তৰ দিম ভাবি একোকে ঠিক কৰিব নোৱাৰি মোৰ গা থৰক্‌বৰক্ কৰিবলৈ ধৰিল। অলপ পৰ মনে মনে থাকি শেহত আপোনা-আপুনি স'চা উত্তৰটি ঘপৰাই ওলাই পৰিল— 'পাচ নামে মোৰ হ'লে এখনিও নাই।' উত্তৰ শুনা মাত্ৰকে ঘাটেয়ে আঙুলিঠাৰে মোক মাটিৰ ফাললৈ নামি যাবলৈ কলে। অৰ্থাৎ ঠাৰেচিয়াৰে বুজালে যে— ফটাছিটাই হওক, যেই সেই এডোখৰি 'পাচ' নহলে ইয়াত উঠিবলৈ কাৰো সাধ্য নাই। কি কৰিম? দেখিয়েই মই ঠোত্-মুখ চেলেকি নামি আহিলোঁ। নাও মেলি দিলে, যাত্ৰী সকলেও নৈ পাৰ হল;—লগে লগে সেই মোৰ পঢ়াশলীয়া বন্ধু জনো পাৰ হল। মই আমন-জিমনকৈ টুলটুলীয়া চকুৰে তেওঁবিলাকৰ ফাললৈ আঁ-কৰি মুখ মেলি চাই থাকিলোঁ; তাতে বন্ধুৰ মৰম লাগি যাবৰ সময়ত চিঞৰ মাৰি তেওঁ নাৱৰ ওপৰৰ পৰা কৈ গ'লে "হেৰা! সোঁৱা যে দূৰৈত চেঁচেঁৰা পানী দেখিছাঁ সেই পিনেই খোজ কাঢ়ি পাৰ হৈ আহাঁ।—একো ভয় নাই।" ময়ো তেওঁৰ কথা ধাৰি সাৰোগতকৈ লৈ হেলাৰঙে নৈ খন পাৰ হলোঁ। পানী সৰহ নাছিল, মাথোন কলাফুলৰ তল আৰু ভবিৰ সৰু গাঁঠিৰ ওপৰলৈকেহে হৈছিল। কোনো লেঠা-পিঠা কিম্বা বিপদ আপদত পৰি জলাকলা হবলৈও নহল, অতি সুকলমে পাৰ হলোঁ। লেঠাতে পৰোঁ ছাবি, গোটাচেৰেক ডৰিকণা মাছে আহি মোৰ সৰু গাঁঠিৰে সৈতে সখি পতাই মুখতে মুখ লগাই কিবা এখনি ফুচফুচীয়া বিয়নীমেল্‌হে পাতিছিলেহি (খুটিছিলেহি)।

সেই বোৰ উপলুঙা কথা এতিয়া এৰা থাওক। মুঠতে কওঁ—নৈ খনি হেলাৰঙে পাৰ হলোঁ। পাৰ হৈয়ে সিপাৰে দেখিলোঁ—এখনি মোলনাইকিয়া স্বৰ্গপুৰী যেন সুন্দৰ নগৰ; হেজাৰ হেজাৰ যোজন বিয়পি গোটেই সিপাৰ যুৰি আছে। নগৰ খনিৰ ভিতৰত ইমান আলি, ইমান গলি, ইমান বজাৰ যে কলি-ৰজাৰ ৰাজ নগৰ কলিকতাৰ আলিৰ সংখ্যাও ইয়াৰ মানত একোকে নহয়। আলিৰ দুই কাষে শাৰীয়ে শাৰীয়ে বহুমূলীয়া শিলেৰে বন্ধোৱা ৰঙ্ঘৰ, কাৰেঙ্ঘৰ, তলাতলি ঘৰ। প্ৰতি ঘৰৰ চালে-বাৰে অতি ধুনীয়া ধুনীয়া নক্সা বিলাক; দেখিলেই হিয়া মন চেঁচা লাগি আহে। এই নগৰৰ চাৰিও কাষে এনেনো শুৱনি শুৱনি বাগিছা বিলাক যে, তাত ভৰি দিয়া মাত্ৰকে অতি নিৰস মানুহৰ মনতো ৰহস্য ৰসৰ ধল উঠে,—কাঠ্‌কঠুৱাৰ বুকুও নিচেই কোমল আৰু লেতুসেতু হৈ পৰে। যি মোছলমান বাদশ্যাহ আৰু নবাব সকলৰ 'দেল্‌-কোছা', 'দেল্‌-আৰাম' ইত্যাদি নামৰ বাগিচা বিলাকৰ কথা শুনি বিলাতৰ ৰাজাধিৰাজ সকলেও অবাক হৈ পৰি মুছ্‌কছ্‌ গৈছিল, তেনে বিলাক বাগিচাও ৰিজালে ইয়াৰ আগত সমুলি চেৰ পৰে। সেই বাগিচা বিলাকৰ মাজে মাজে একোখনি ফুলনি। ফুলনিৰ মাজত নানা বৰণৰ ফুল, জক্‌মক্‌ কৰে হাঁহি হাঁহি ৰূপৰ জেউতিৰে গোটেই নগৰ পোহৰাই আছে। 'পাচ'-পোৱা মানুহ বিলাকে জুমে জুমে নৈ পাৰ হৈ আহি এই স্বৰ্গপুৰী যেন নগৰ খনি ভৰি পৰিছেহি।ময়ো নৈ-দাতিৰ পৰা এখোজি দুখোজিকৈ আহি নগৰ সোমালোঁহি। নগৰত ইমান মানুহ, দেখিয়েই মই বিচুৰ্তি খাই মূৰে কপালে হাত দিলোঁ। অৰ্থাৎ এই পাৰেও যে ইমান মানুহ আছে তাক আগেয়ে মই ভবাই নাছিলোঁ। যি কি নহওক আচহুৱা ঠাই দেখি পুলুঙ্‌-পালাঙ্‌কৈ চাই চাই এখোজি দুখোজিকৈ নগৰৰ ভিতৰ সোমাইছোঁ; মনত কিন্তু ভয়ো লাগিছে, ৰঙো লাগিছে। কিছু দূৰ গৈ দেখিছোঁ—মানুহ-বিলাকে কাকো কেৰেঁ নমতাকৈ গাই-পতি একোখনি বাগিচাত আপোনা আপুনি সোমাই পৰিছেগৈ। সোমায়েই দেখিছোঁ, তাৰ মাজত এখনি এনে নো ধুনীয়া ফুলনি বাৰী যে সেই খনিৰ দৰে ফুলনি আৰু কৰবাত আছে বুলি মোৰ মনে পতিয়াবই নোখোজে। মাজতে এটি মউ-পুখুৰি। পুখুৰি যুৰি সোণৰ পদুম আৰু মাণিকৰ পাৰিজাতে জক্‌মক্‌ কৰে ফুলি আছে, দেখিয়েই জীৱন সাৰ্থক যেন মনত লাগিল। ফুলৰ মাজে মাজে ৰাজহাঁহ বিলাকে ধেমালি কৰি কৰি এবাৰ বুৰ মাৰি পদুমৰ শিপা এডালিকে তুলি আনিছে, এবাৰ মুকুতাৰূপী শেলুক এটিকে আনিছে, এনে দৰে উৰ্মলি উৰ্মলি চৰি ফুৰিছে। এই বিলাক চাই গোটেই পুখুৰিটি আকৌ এবাৰ হেপাহ পলুৱাই চাবৰ মন কৰি চাৰিওফালে চকু ফুৰাইছোঁ, এনেতে হঠাৎ দেখিলোঁ পুখুৰিৰ উত্তৰ পাৰত এখনি সোণালি বৰণৰ

ফটিক সিংহাসনত এজনা জগত-মোহিনী অপেশ্বৰী। কাব্য নামে এখনি বীণ তেওঁৰ ওচৰতে পৰি আছে; যেন বজাই বজাই ভাগৰ লাগি অলপ জিৰাবৰ নিমিত্তে এতিয়াই ওচৰতে থৈ দিছে। আৰু আগতে এটি সোণোৱালী কুঁকিত লেচাৰী দুলৰী পদ নামৰ নানা তৰহৰ ফুল। সেই ফুল বিলাককে লৈ তেওঁ এক মনে এক ধ্যানে অনা-জৰিৰে এধাৰি মালা গাঁথি গুণ গুণ কৰে কিবা এষাৰি গাই আছে। তেওঁৰ হাঁহি-ভৰা মুখ আৰু কোমল ল-নি শান্ত ভাব দেখি ততালিকে এনেহে মনত লাগিল যেন তেওঁ এজনা স্বৰ্গীয়া অপেশ্বৰী, এই দুখ-বেজাৰৰ পৃথিবীক নিচুকাই এফেৰি শাঁত কৰিবৰ নিমিত্ত দয়াময় গৰাকীয়ে মৰতলৈ পঠিয়াই দিছে। হিয়া-পুখুৰিত ভক্তি-পানী উথলি পৰিল, দুই হাতে নমস্কাৰ কৰি কৰি আঁতৰৰে পৰা ৰ লাগি চাই থাকিলোঁ। অলপ পৰ চাই আছোঁ, এনেতে সেই জোনমুঈ পাৰিজাতে বিশ্ব-খনিকৰৰ কুন্দত কটা নিজৰ গঢ়ত মুৰটি তুলি আৰিমুৰি দি ইকাতি-সিকাতি কৰাত হঠাৎ মোৰ ওপৰত চকু পৰি বিচুৰ্তি হৈ মাত লগালে, "এইটো কৰ নাওঠা লৰা?" . যদিও মাত ষাৰি নিচেই কোমল শুনিলোঁ, তথাপি কিজানো কিবা-এটা ভয়ত মোৰ পেটতে হাত-ভৰি লুকাল। মই ভয়ত 'হাঁও হাঁও' কৰে কান্দি পেলালোঁ। দেখি তেওঁৰ এফেৰি মৰমেই লাগিল নে কি কব নোৱাৰো, হাত বাউল দি মোক ওচৰলৈ মাতিল। নোযোৱা দেখি এইবাৰ আকৌ মুখ ফালি, "আহাঁ! আহাঁ!" বুলি বৰকৈ মাতিল। মোৰ অলপ-ধতুৰা বুকুত এফেৰি ধাতু আহিল, নিসাহিয়াল হিয়াত একণিমান সাহ উপজিল। যাবলৈ হোহ্‌কা-পিচলা কৰিছোঁ এনেতে আকৌ মাত লগালে—"ভয় নকৰিবা, আহাঁ! নাহাঁ কেলেই?" এইবাৰ হ'লে পোনছাটেই খোজ ললোঁ, সিও কিন্তু চকু মোহাৰি মোহাৰি আৰু থুনুক্‌থানাক্‌কৈহে। লাহে লাহে যেতিয়া কাষ চাপিলোঁগৈ তেওঁ অতি মৰমেৰে মোক সুধিলে "পোঁনা! তুমি কৰ পৰা আহিছাঁ?—কৰ লৰা? ইয়ালৈ কেনেকৈ আহিলাঁ? মাৰা বাপেৰা আছেনে? হাঁ? কোৱাঁচান? এতিয়া কলৈ যাবা?—?—?—?" মই আন একোকে উত্তৰ দিব নোৱা-ৰিলোঁ; মাথোন ফেঁকুৰি ফেঁকুৰি কলোঁ "মোক আজি আয়ে মাৰিব। মই এতিয়া ঘ'লৈ কেনেকৈ যাওঁ? তেওঁ হাঁক দিয়াতো নুশুনি মই পলাই আহিছিলোঁ"—ইমানলৈকে কৈয়ে আৰু একোকে কব নোৱাৰিলো। মাথোন মুখ নাক একেকাৰ কৰি 'উ-উ-উ' বুলি আকৌ কান্দিবলৈ ধৰিলোঁ। দেখি তেওঁৰ মৰমিয়াল হিয়া একেবাৰে পমি গল, অতি চেনেহেৰে ওচৰ চপাই নি নানান কথা কৈ ফুচুলাই নিচুকাবলৈ ধৰিলে আৰু ক'লে "নেকান্দিবা, নেকান্দিবা, বাছা! ভয় নাই। এই মালা ধাৰি দিছোঁ মাৰাক ভেটি দিবাঁগৈ, তেওঁ আৰু তোমাক নেমাৰে।" এই বুলি সেই অনা-জৰিৰে-গঁথা হাফেজ-ফুলনিৰ তজ সৰা ফুলৰ মালাধাৰি মোৰ

হাতত দিলে। ময়ো সেই আতৰণত তৰ্কিবৰ এনে এটি চোকা আহ্লাদ পাই এনেনো ৰঙ পালোঁ যে তাক আৰু কৈ অন্ত কৰিব নোৱাৰি। পাইয়েই তেওঁক সুধিলোঁ 'আপুনি নো কোন? আয়ে সুধিলে মালাধাৰি কোনে দিছে বুলি কম?' তেও মোৰ কথা যাৰি শুনি মিচিকিয়া হাঁহি এটি মাৰি কলে "পোনা! মোৰ নাম 'জ্ঞান'; বাগিচা খনিৰ নাম হাফেজ-নগৰ, আৰু এই ফুলনিৰ নাম হাফেজ-ফুলনি—আৰু এই ফুলনি খনিৰে মই মালিনী। সেই দেখি মোক প্ৰায় সকলোয়ে 'জ্ঞান-মালিনী' বুলি মাতে। এই মালাধাৰি মাথোন তলসৰা আৰু এৰা-বোটলা ফুলেৰেহে গাঁথিছিলোঁ, বৰ ভাল হোৱা নাই; কিন্তু কি কৰিম, তুমি যে অসময়ত আহিলা। বাৰু হব নোৱাৰিছে, যোৱাচোন তাকে দিয়াগৈ। মাৰাই সেই ধাৰি ভেটি পালেও, অন্তত ভাল পাওক নেপাওক, তোমাক ডাবি হুকি নিদিয়ে আৰু নেমাৰে।" তেনেকুৱাত মই কলোঁ "আপুনি যাবলৈ দিছে হয়, পাছে মই এতিয়া যাওঁ কেনেকৈ? কোন পিনে, কেনেকৈ, কেনি আহিলোঁ একণো মনত নাই; সমূলি পাহৰিলোঁ।" তেওঁ উত্তৰ দিলে "বাৰু, একো ভয় নাই। চাওঁ, তুমি এখন্তেক চকু মুদা চোন।' এনে বোলাত ময়ো চকু মুদিলোঁ, আৰু সেই দৰেই খন্তেক মান নিটাল মাৰি মনে মনে আছোঁ, তাৰ পিছত তেওঁ 'মেলা' বুলি কোৱাত মই চকু মেলি চাই দেখোঁ, ঠিক আইৰ ওচৰতে! আগৰ ঠাইত তেওঁক সেই দৰেই সেই ভাৱে বহি-থকা দেখা পাইছোঁহি। কেনেকৈনো উভতি আহিলোঁ, আৰু কিহেনো মোক আনি আকৌ ঘৰ পোৱালেহি, সেই বিলাকৰ একোকে ভুভটং নেপালোঁ। আইক দেখা পাইয়েই মই ততাতৈয়াকৈ ফোঁপাই জোপাই আগ-বাঢ়ি গৈ মালাধাৰি দিলোঁ; তেঁয়ো হাত মেলি ললে, কিন্তু কথা নুশুনোৰ বাবে আগৰ যি কুৰ্মাৰি আছিল সি গল নে নাই যোৱা তাকে তৰ্কিবৰ মনেৰে মই দবক মাৰি আইৰ মুখৰ ফালে চাই থিয়হৈ আছোঁ, এনেতে চক্ মক্ কৰে সাৰ পালোঁ। মালাধাৰি পাই ভালেই পালেনে বেয়াই পালে তাক বুজা আৰু এই দুৰ্কপলীয়াৰ ভাগ্যত ঘটি নুঠিল।

পঢ়ুৱাই সকল! আপোনালোকে মোৰ এই বাৰ-হতীয়া পাৰ্তনি ডোখৰ পঢ়ি নিজৰ বহুমূলীয়া সময় ফেৰা অনাহকত আধানাৰ্জি হোৱাৰ বাবে উনৈচত-বা-বলাই মোক যে নথৈ বিতণ্ডা কৰিছে তাত এই নিছলাৰ এখুদ্‌মানো খুকুৰি নাই। কিন্তু কৰিম কি? দোষ কৰা যে মানুহৰ স্বভাৱ। গতিকে সেই স্বভাৱৰ দোষে এফেৰি মোকো চুলেহি। কিন্তু মোৰ এতিয়া আপোনালোকৰ ওচৰত এই ফেৰাই খাটনি যেন আপোনালোকে আকৌ ঢৌটোকে ৰৌটো নকৰিৰ, সকলো দায় জগৰ এৰি, এই নিছলাৰ ফালে মাথোন-এবাৰি মান কেঁৰাহিকৈ চাই পঠিয়াই। চালেই, মই ৰঙত উত্ৰাৱল হৈ আপোনালোকৰ গুণ গাই গাই সেই ঘাই গৰাকীৰ

ওচৰত দুই হাত লি কুশল বিচাৰিম আৰু ইয়াকে জনাম যে 'হে দয়াময়! অসম, আইৰ এনে বিলাইৰ সময়তো 'আপুনি এনে সকল পোন-পটি পো দান কৰি অসমীয়াৰ চোধ পুৰুষক উদ্ধাৰ কৰিবলৈ দিহা কৰিছে।' এতিয়া মেলানিহে মাগিলোঁ আৰু,—

শক ১৮১৮
১৬ আঘোন।

মফিজ্উদ্দিন আহমদ্ হাজৰিকা
ৰাইজৰ ভৰি-ধূলা

জ্ঞান-মালিনী

বিশ্ব-খনিকৰ

১

দেখা নাই যদিস্যাতোঁ, আছে ত্ৰিলোকৰ
নিশ্চয় নিশ্চয় এটি বিশ্ব-খনিকৰ।

২

নিশ্চয় নিশ্চয় তেওঁ,
দেখানায়ো যদি কেও,
বায়ু-মাটি-পানী-জুই একাকাৰ কৰি,
কত নানা বৰণৰ,—
কত জীৱ জন্তু নৱ,
কত কি যে চাণেকিৰে আছে গঢ়ি গঢ়ি।

পৰুৱাকে আদি কৰি,
সিংহ হাতীলৈকে ধৰি,
কোনো বিধ এৰা নাই প্ৰাণী সকলৰ;—
আকাশৰ, পতালৰ,
মাটি, বালি, সাগৰৰ,
ভিনে ভিনে গতি-গঢ় সকলোৰে লৰ।

কাৰো সৈতে কাৰো মিল
নোহে নোহে, একো তিল,
খেলে খেলে গিয়াতি ও খেলে খেলে জাত;
গৰু পহু নৰকুল;
গাজ কলি কুঁহি ফুল;
চামে চামে গছনি ও চামে চামে পাত।

আহা! প্ৰভু-জেউতিৰ
ফিৰিঙটি একোটিৰ,
ভমকতে উপজিছে আত্মা-জীৱ-মন;
তাতে আকাশৰ ভাপ,
ৰাশি-নক্ষত্ৰৰ চাপ,
পৰি সাজে ভৱিষ্যৎ-ভাগ্য একোখন।

পাপ-পুণ্য-ধন-ধান
কৰিবলৈ পৰিমাণ,
পাতিলই সোবৰ্ণী তাৰে একোখন,
দৈৱজ্ঞই পৃথিবীত
সুখ দুখ হিতাহিত
গণি গণি কয় সেই দৈৱ-লিখা খন।

কিন্তু হায়! নাই নাই,
একণকো দিয়া নাই,
আয়ু, আৰু মৰণৰ, কাকো ক'তো ভেদ।
পুণ্য-পাপ কত কাৰ?
কয়,—এনে সাধ্য কাৰ?
হয়ো যদি 'মুধা-ফুটা' পঢ়ি চাৰি বেদ।

যত মানে প্ৰাণী মনি,
কাকতৰ চিলা খনি,
উশাহেৰে উৰি-ফুৰে ধৰা-ওপৰত;
হায়! কাল কাৰ্ষাৰৰ
আয়ু-ডোল সামৰিব,—
একেটানে চপাব-নি নিজ-ওচৰত।

এই যত ধেমালিৰ—
নানা ছঁয়া-ময়ালিৰ
আছে আছে ময়া হই এটি বাজিকৰ;—
এই বিশ্ব-জগতৰ
কিম্বা স্বৰ্গ-মৰতৰ
আছে আছে গুপুতেৰে এটি কাৰিকৰ
নিশ্চয় নিশ্চয় এটি বিশ্ব-খনিকৰ।

৩

লাগে নে কি পৰমাণ আভজনী মন?
মেজ, মুঢ়া, চকী, ঘৰ,
দেখি যেনে মানুহৰ
নিজে নিজে আহে এটি এনে পতিয়ন ঃ—
এই বস্তুাবলাকৰ
সাজোঁতা বা কাৰিকৰ
আছে আছে ক'ৰবাত নিশ্চয় এজন।
আৰু, যেনে বুধি-জ্ঞান
কৰি মাথোঁ অনুমান,
নমানিও সকলোৰে এনে কথা কয় ঃ—

"দেখি শুনি কাযে কামে,
জ্ঞান আৰু বুধি নামে,
দুটি বস্তু আছে বুলি জানোঁ,—হয় হয়।"
সেই দৰে জগতৰো,
কিম্বা স্বৰ্গ-মৰতৰো
(নমনেও যদিস্যাত) আছে কাৰিকৰ,
নিশ্চয় নিশ্চয় এটি বিশ্ব-খনিকৰ।

৪

নিশ্চয় নিশ্চয় তেন্তে এটি কাৰিকৰ
আছে আছে সৰজোঁতা এই ত্ৰিলোকৰ।
মাটি-পানী-বায়ু-জুই
প্ৰভু-জেউতিৰে চুই,
কত কি-যে চাণেকিৰে আছে গঢ়ি গঢ়ি;—
কত নানা বৰণৰ
কত জীৱ-জন্তু নৰ,
বালি-চাহী, কুঁজী-ডাঁহ, স্বৰ্গী অপেশ্বৰী,
ঘোঁৰা-গাধ, বাঘ-ছাগ,
যক্ষ, ৰক্ষ আৰু নাগ,
ধাপলুকা, মাছৰোকা, বগলী ও শেন,
সকলোৰে আয়ু-জীৱ
আছে নিজে নিজে ধৰি;
ইচ্ছামতে টানি নিয়ে চিলাখনি হেন।
গৰু, পহু, নৰকুল,
গছ, লতা, পাত, ফুল,
পক্ষী, মাখি, জোঁক, পোক, হাতী ভয়ঙ্কৰ,
কত কি-যে নিতে নিত,
পাতি-ভাঙ্গি ধৰণীত,

লীলা উর্মালিছে এটি ওজা কাৰিকৰ,
নিশ্চয় নিশ্চয় এটি বিশ্ব-খনিকৰ।

৫

কিন্তু ইমানতো মন!
নাহি তয়ু পতিয়ন,
সোধ,—"কোনে সৰ্বজিলে সেই খনিকৰ?
তেওঁৰে নো প্ৰভু কোন?
তেওঁৰে বা বিভু কোন?"
—লেল্‌পেল্‌ মিছা যুঁজ পাতি তৰকৰ।

৬

এয়ে তাৰ উত্তৰত :—
—সকলোৰে মূৰকত
যি জনতে পৰে অন্ত,—যি জনতে শেহ,
তেৰেঁ সকলোৰে বৰ,
তেৰেঁ বিশ্ব-খনিকৰ,
তেওঁৰেহে গঢ় নাই,—নাই কোনো দেহ!
তেৰেঁ সকলোৰে সাৰ,—
নিৰঞ্জন নিৰাকাৰ;
তেওঁৰেহে দিহা-মতে ঘূৰে বেলি জোন।
তেৰেঁ আগ, তেৰেঁ গুৰি—
তেৰেঁ সেই স্বৰ্গপুৰী;
তেওঁ-মান জগতত আছে আৰু কোন?

যত বস্তু জগতৰ,
(দিলে মানে পটন্তৰ,)
একো একো টোপা মাথোঁ 'বিশ্ব-সাগৰৰ'!
পঞ্চভূতী পোছাকৰ
ছো-হে পিন্ধি একোধৰ,
ভাৱৰীয়া হইছোঁহি ভৱ-নাটকৰ!!

সেই বিলাকৰ গাৰ
যেই ভুতী সাজ-পাৰ,
'কাল'-নিগনিয়ে শেহে কুটি ছিঙি খায়,
ভিন ভিন টোপা গুচি,—
নিজ গতি-গঢ় মচি,
সেই 'বিশ্ব-সাগৰ'ত ক্ৰমে মাৰ যায়।

পাই যেনে বেলি-তাপ,
ডাৱৰলৈ উঠি ভাপ,
সাগৰৰ পানী পুনঃ পৰে সাগৰত;
সেই দৰে ক্ৰমে টুটি,
জীৱ জন্তু সকলোটি
মাৰ যায়, মায়াৰূপী 'বিশ্ব-সাগৰত'!

ইবোৰৰে ৰঙ চাই,
ইবোৰতে লুকুৱাই,
'চেহেৰাটি' আপোনাৰ, থাকে বাজিকৰ;
জগতৰ ভাগে ভাগে,
কোনি কিটো হ'ব লাগে,
মহা ধিয়ানত তথা মহা কাৰিকৰ,—
নিশ্চয় নিশ্চয় এটি বিশ্ব-খনিকৰ।

৭

তেৱেঁ সেই কেঁচুৱাক
গৰভতে মুখ নাক
দিয়ে মাতিৰীৰ বুকে 'জীৱ-অমিৰিত'।
তেৱেঁ অত দিলে বল,
আলাসতে-ফুৰা-কল,
চিৰিকতি বিলাকৰ পাখি এযুৰিত।
আনি কূটা-কূটি-ঘাঁহ,
সাজিবলৈ নিজ বাহ
তেৱেঁ শিকালেতো সেই পক্ষী সকলক;
তেৱেঁ সেই সজা ভাঙিগ,—
উৰিবলৈ বাহু ডাঙিগ,
বুধি দিলে ঘিণাবলৈ পৰ-আদলক।

তেৱেঁ দেখুৱালেহঁক—
সেই আদি মানুহক,—
কি দৰে নো মাটি কাটি বাব লাগে হাল?
কি দৰে নো কৰিব ঘৰ,
বুধি দিলে থাকিবৰ—
ভিনে ভিনে আপোনাব একো-পৰিয়াল?

মাখি মিলি জাকেজাক,
সাজিবলৈ মউ-চাক,
তেৱেঁ সেই হাঁফলুটি,
মিলি-জুলি সকলোটি,
গঢ়িবলৈ দেখুৱালে—উঁইপৰুৱাৰ।

জহ কালি সাঁচিলই,
খৰালিত খাবলই
তেৱেঁ সেই বুধি দিলে—গুৰি পিপৰাৰ;—

চিলনীলৈ ভয় কৰি,
পাখি আওকালি ধৰি,
পোৱালীকো ৰক্ষিবলৈ—হাঁহ-কুকুৰাৰ।

কপৌ আৰু শালিকাক,—
দুয়ো প্ৰেম-কালিকাক,
তেৱেঁ চেনেহুৱা কৰি দিলে ধৰণীত।

লোঁঙঠেঙ বগলীৰ
আকুহিটি বাদুলীৰ,
তেৱেঁ দিলে, হেতু বুজি, দুয়ো পৰাণীত।

খিয়লীয়া ফেঁটীসাপ;—
ক্ষমা কৰি ত্যৰো পাপ,
তেৱেঁ দিলে মৰগীয়া মণি সমৰথ।

তেৱেঁ সেই ভেকোলাক—
নিন্দে সকলোৱে যাক—
মাণিকেৰে পুৰ কৰি গুপ্ত মনোৰথ।

যিটি প্ৰভু-ভক্তি চাই,
মানুহেও লাজ পায়,
তেৱেঁ সেই মহা গুণ দিলে—কুকুৰক।

তেন্বে ক্লিবা কৰি মন,
দিলে যত সোণ-ধন,
মাটি-তলচীয়া ঘোপ—খনি আকৰক।

গ্ৰহ, তৰা, বেলি, জোন,
আছে আলাসতে পোন,
তেওঁৰেহে কৃপা-জৰি টনাটনি কৰি;—

লৰা-তিৰী-আই-ভাই
—এই সকলোকে পাই
মৰ্-জগততো নৰে আছে জীৱ ধৰি।

তেওঁৰেহে মহিমাৰ
নাই কোনো ওৰ্-পাৰ্;
একো খিলি পাততো যে আছে কত চিন;—

তেওঁৰেহে নাম লই,
কেনে যথা-ঠব হই,
যত গছনিয়ে বাই যশস্যাৰ বীণ!

সকলোতে আছে তেওঁ;
কিন্তু নেদেখে যে কেওঁ,
ওৰণিৰে মুখ-ঢাকি থাকে ওচৰত;

সেয়ে খেপিয়ালে হায়!
পাবলৈকো নাই নাই
একণকো চিন-চাব, ধৰা-ওপৰত।

সত্ত্ব ৰজঃ তম গুণ,
সকলোতে নিৰগুণ,
বোলে হুনু বিশ্ব-গিৰী সেই মহাজন;

চাওঁ যদি ইপিনেদি,—
আহা! কেনে বুকু-ভেদী
মৰমেৰে বৰষিছে দয়া বৰষণ!

তেৱেঁ কুঁহি-গজালিক,
(পমা, চিচু, পাৰ্লিক,)
শেহন্তৰে একো জোপা কৰে ভয়ঙ্কৰ;—

তেৱেঁ এমাডিমা লবা
কৰে ডেকা-তেজ-ধৰা,
অহঙ্কাৰ বঢ়াবলৈ মাক-বাপেকৰ।

তেৱেঁ মানী, তেৱেঁ মান;
তেৱেঁ দানী, তেৱেঁ দান;
তেৱেঁ কাম, তেৱেঁ কৰ্ম্মী;—খেতি, খেতিয়ক;

তেৱেঁ জ্ঞানী, তেৱেঁ জ্ঞান,
তেৱেঁ তীখা, তেৱেঁ শাণ;
তেৱেঁ ধৰ্ম্ম, তেৱেঁ ধৰ্ম্মী,—বুধি, বুধিয়ক্।

তেৱেঁ পানী, তেৱেঁ মাছ;
তেৱেঁ এক, তেৱেঁ পাঁচ;
তেৱেঁ যোগী, তপস্বী ও তেৱেঁ বাজিকৰ;

তেৱেঁ ধনী, তেৱেঁ ধন;—
"গোমস্তা ও মহাজন"
তেৱেঁ কাম, তেৱেঁ কামী; তেৱেঁ কাৰিকৰ;
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্ব-খনিকৰ॥

৮

নিশ্চয় নিশ্চয় তেৱেঁ
(দেখানায়ো যদি কেৱেঁ,)
"অন্তৰ্য্যামী, সৰ্ব্বজন, বিশ্ব—আত্মা-প্ৰাণ
সৰ্ব্ব-ব্যাপী, সৰ্ব্ব-দৰ্শী, সৰ্ব্বশক্তিমান!!"

৯

তেন্তে মন! এতিক্ষণ
হৈছে তয় পতিয়ন,—
যত মানে জীৱ-জন্তু আছে ত্ৰিলোকৰ,—

কি চেতন, অচেতন,
গছনি কি হাবি বন,—
সকলোকে সৰজোঁতা আছে কাৰিকৰ;—
নিশ্চয় নিশ্চয় এটি—**বিশ্ব-খনিকৰ**!!!

শক ১৮১৭
৫ আঘোন।

মৰিশালী খনি

(ডিবৰু নৈৰ সিপাৰৰ)

১

আহা! কেনে নিজমীয়া,—কেনে নিজঞ্জাল!
যেনি চাওঁ, দেখা পাওঁ,—নিমাত নিটাল!
কাঁহ্‌পৰি যায় জীণ,—গভীৰ গহীন!
কিযে এটি বাজি আছে নিৰাশাৰ বীণ।
কিযে এটি কেনে জানো লিঙা-ভাৰ-ধৰা,
ৰই ৰই বায়ু বয় মৈদামৰ পৰা।
কিযে এটি চাটি-ফুটি বেজাৰৰ ঠাই,
শূন্য যেন কিবা হেন কান্দে—'হায়! হায়!'

২

আত্মা সকলোৰে যেন, আহি বাৰে বাৰে,
দেহা-জ'কা চাই চাই হুমুনিয়া কাঢ়ে;
পাকে পাকে বতাহত ফুৰি ঘূৰি ঘূৰি,
শেহান্তৰে শূন্যে মাৰ যায়;—
শূন্য-গৰভতো যেন সেই—'হায়! হায়!'

৩

পৰি-থকা লাওখোলা, জ'কা কামীহাড়,
ছিগা হাত, ছিগা ভৰি দেখি আপোনাৰ,
জীৱন্তৰ যত কথা মনে মনে গুণি,
অতি বেজাৰেৰে কান্দে হিয়া ধুনি ধুনি।

সেই খলকনি উঠি বায়ু বোকোচাত,—
ছাটি মাৰি টিকা, ধোন্দ্ হাবি, লকচাত।
তোলে এটি হিয়া-ফটা উৰ্ম্মি ও হাই,
প্ৰতিধ্বনি জাগি উঠি কান্দে—'হায়! হায়!'

৪

জংকা পতি দুটি এটি 'আশা' হালিজুলি,
বিনাইছে বিতণ্ডিছে কত কিযে বুলি,—
"হেৰ! দুৰ্‌কপলীয়া নিছলীয়া নৰ!—
নিজে মই-মতলীয়া, নিজে মই-বৰ!
আজীৱনে ধৰি মোৰ আলপৰিচান,
পালি-পুহি এবে হায়! কৰ আওকাণ!
হায়! কিয় একে-চাবে ঠেৰু ছিঙিগ মোক,
দলনিত-পোনা-মেলি দিছ অত শোক?
নিৰালমে আছোঁ মই, থানিকা যে নাই;
কোনে আজি ৰক্ষে মোক?—হায়! হায়! হায়!"

৫

এনি-তেনি দেখোঁ মানে যত মৰা শৱ,
পৰি আছে নিশৱদে নাই কোনো ৰৱ।
কি যে ভয়ানক ভাৱে দাঁত নিকটাই,
হাঁহি হাঁহি আছে, যেন ভাবি চাই চাই-
পৃথিবীৰ গতি-মতি লাহ-বিলাহক;—
আৰু এই মতলীয়া জীয়া মানুহক।
চিয়াৰেৰে কয় যেন,—"হে! মানুহহঁত!
এয়ে শেহ-দশা, চা-হি, তযু কপালত!
আজি হায়! ফুৰিছ যে ধপচালি মাৰি
দুদিনীয়া পৃথিবীত মূৰে-ভৰি কাঢ়ি,

কাইলৈকে দেখা পাম, আমাৰেহে দৰে,
ধূলি-মাকটিৰে মিল হ'বি শেহান্তৰে।
ধনী, মানী, জ্ঞানী বুলি কৰি অহঙ্কাৰ,
ফিতাহিৰে ধৰাখনি কৰ তোলপাৰ;
কুলে কুলীয়ান বুলি, বুকক ফিন্দাই,
কি যে আয়মেৰে ফুৰ মুখ-ওফোন্দাই;—
—ইবোবৰ গুটি-বঁটা পাবি সেই দিন—
মৰিশালি পোৱাবহি যমে যেই দিন!!

নেভাবিবি—নব-জীৱ, অজৰ অমৰ।
নেভাবিবি—ডঁৰ নাই, ফিতাহি-ভেমৰ।
নেভাবিবি—ৰক্ষা পাম, ধনৰ বলত।
নেভাবিবি—সাৰি যাম, বুধিৰ ছলত।
নেভাবিবি—কাম নাই, কোনো ধৰমত।
নেভাবিবি—লাভ নাই, প্ৰভু-মৰমত।
নেভাবিবি—বিপৰীত একো ভয় নাই,
দেখিলেহে কান্দিবিহি, কবি—'হায়! হায়!!'

৬

"মিছাতেই বিচাৰিছ সৰু আৰু বৰ;
নেথাকিব ইঠাইত একো ভিন-পৰ।
ৰজা প্ৰজা সৰু বৰ বলী নিৰবল
সকলোৰে হ'ব এই একে খনি থল।
সংসাৰৰ শত্ৰুৱালি, কপটালি, খণ্ড,
মৰিশালি পালে হ'ব সকলোৰে ভঙ্গ।
লৰা-বুঢ়া, তিৰী-মটা, শত্ৰুৰু-মিতিৰ,
গাই গাই ওচৰতে ইটিয়ে সিটিৰ,

নিজ কৰমৰ দোষ ভবা-গুণা কৰি,
একে খনি পাটীতেহে থাকিবিহি পৰি।
সংসাৰৰ হাই দ্বন্দ্ কিম্বা খোঁচা-খুঁচি,
সকলোৰে অন্তৰৰ সমূলণ্ডে গুচি,
নিজৰেহে ভাবনাত নিজে কোঁচ-খাই,
চিঞৰিবি—'ত্ৰাহি! ত্ৰাহি!' আৰু 'হায়! হায়!'

৭

"তেন্তে কিয় মিছাতেই কপটালি কৰি,
চলাইছ দিনে দিনে সি জীৱন ঘড়ী?
জানিছ যে ভাৰস্তৰ সেই বাৰী, ঘৰ,
নোহে নোহে যুগমীয়া,—মাথোঁ দুদিনৰ।
জানিছ তো, খিলঞ্জীয়া নোহে ধৰাখন;
তথাপি যে এনে দৰে মেলি দিছ মন?
এই কথা মনে মনে জানিবি থিৰাং—
প্ৰভু দিহা বিলাকৰ নাই টাংবাং,
যেবে সুখ-দুখ আছে,—আছে ৰাতি-দিন;
তহঁতে যে আছগই আলহীহে তাত,
হাটবুৰা ৰূপে মাথোঁ বেহাবলৈ হাট!
তৰিবলৈ ইপুৰীত,—ঘটিবলৈ বিত,
দুদিনৰ নিমিত্তেহে আছ পৃথিবীত!
এতেকে, হে! জগতৰ আধা-মুৰী নৰ!
(নিতে ভয় মনলই আনি মৰণৰ,)
অকথাতে নকটাবি,—নিনিয়াবি জীণ,
বহুমূলী জীৱনৰ সেই কেই দিন।
নিজ বেহা-বেপাৰত দে দে মন-প্ৰাণ;
কোনো লীলা-ওমলাত নকৰিবি কাণ।

সাৱধান! সাৱধান! দেখিলে সি লীলা,
ভোল-গই তিলেকতে হ'বি পাছে শিলা!
পাহৰিবি হাট্-বাট্ লগ-লগৰুৱা,
ততচুৰ্তি হেৰুৱাবি লাগি হুৱাদুৱা!
যিবা কথা বান্ধিছিলি আহিবৰ কালে,
সি কথাকো পাহৰিবি লীলা-ৰূপ চালে।
পাহৰিবি নৰকৰ শাস্তি ভয়ঙ্কৰ,
আৰু সেই মন-লোভা পুৰী বৈকুণ্ঠৰ;
সি মহা প্ৰলয়-কাল, চুলি যেন সাঁকো
লীলা-ওমলাত পৰি পাহৰিবি তাকো।
সোৱা চাহি! যত মানে তযু লগৰীয়া,
এটি এটি কৰি আহি হ'লে ইপুৰীয়া।
অকলে কান্দিবি পাছে বাট-পথ ভুলি;
বেলি থাকোঁতেই বান্ধ টোপোলা-টুপলি।
যেই লীলা-ওমলাৰ নাই ওৰ পাৰ;
কোনো কালে তাৰ পৰা নাই উপকাৰ।
খোজে পতি হানি দৈন্য, খোজে পতি ক্ষয়,
দেহাবো যে লটি-ঘটি জানিবি নিশ্চয়।
ততালিকে সিধি কৰি আপোনাৰ কাম,
লাভে-মূলে আহিবলৈ কৰ উম্ঘাম্।
এবে যদি ভেবা লাগি থাক বঙ চাই
ইপুৰীত কান্দিবাহি কৰি—'হায়! হায়'!

৮

"ইপুৰীৰ দৰে ঠাই, ক'তো নাই নাই,
যদি পুণ্য আনিব হে পাৰ কোনোবাই।
জগততো নাই ক'তো এনে শান্তি-মঠ,
যদি আহে লগে লগে পুণ্য সমৰথ।

নাই নাই ইপ্ৰীত আলৈ-আহ্‌কাল,
দিবলৈকো নেলাগে যে কাকো পোহ্-পাল।
উৰ্মি ও হাই, দ্বন্দ্, কন্দা-কটা, ৰণ,
নাই হাবাথ্ৰি, নাই চিন্তা—ধন ধন।
নাই ধনী চহকীৰ ভেম অহঙ্কাৰ,
দুখীয়া ও নিচলাৰ নাই হাহাকাৰ।

“নাই পাপ-চকু কিম্বা কেৰাহি চাৱন,—
নাই নাই সৰ্ব্ব-নাশী পাপ-আবাহন।
হিংসা, নিন্দা, চতুৰালি কপটালি, ভয়,
নৰিয়া-পৰিয়া নাই জয় পৰাজয়।
নাই তেনে মিতিৰৰ মিছা মিতিৰালি—
মুখেদি বৰষে মউ পেটে চতুবালি।
মান অপমানো নাই খেনি ঘিণ গপ,
নাই সভা সমিতি বা যাগ যজ্ঞ তপ।
বৰণবো নাই কোনো ক'লা বগা চিন,
মাথো একে-আগি ভাব, নোহে নোহে ভিন।
গুণনি চিতনি ভাব একো নাই নাই;
যদি আছে বোলোঁ মাথোঁ—‘ত্ৰাহি। হায়! হায়”

শ'ক ১৮১৪
২৩ ভাদ্ৰ

(ডিবৰু নৈৰ দাঁতিত)

মুনিচুনি বেলি

এজন্ম গা-ঘেলাই ফুৰা ডেকা লবাৰ ৰেহ-ৰূপ বৰ্ণনা

আৰু

নৱ-জীৱনৰ দুটি বাট

(উপদেশ)

১

গধূলি হইছে, মলয়া বইছে,
বেলিটি গইছে বুৰি;
সোণালী বৰণে, পৰি হাবি বনে
চমকে পৃথিবী যুৰি।

২

ৰাঙলী ছবিটি বুকুৰে সাবটি
নাচিছে ডিবৰু নই:
জপনা জাপিছে, ৰখীয়া চাপিছে,
দমবা দামুৰি লই।

৩

চৰাই-চুৰুকি আহিছে উলটি,
আপোনা বাহলৈ উৰি,
হালোৱা, হজুৱা, কানীয়া, ভঙগুৱা
টোকোবা-পজালৈ ঘূৰি।

৪

আমোলা, মহৰিং, 'অফিচ' সামৰি
বজাৰ-বেহানি লই,
ঘৰলৈ উভতি আহিছে বাবুটি
বিতত্ বিচুৰ্ত্তি হই।

৫

সন্ধিয়া লাগিছে, মেলানি মাগিছে,
দিনেও ৰাতিলৈ চাই;
ৰ'দালি নুমালে, ৰান্ধনি সোমালে
লৰায়ো পাতিছে হাই!

৬

'দীঘলী বজাৰে' গৰাকী প্ৰজাৰে
লাগিছে হেন্দোল্‌দোপ্;
ভেংকুলী, বাদুলী, দেখিই গধুলি
বিচাৰি ফুৰিছে টোপ।

৭

পোহৰো বুৰিছে, আখাটি যুৰিছে,
বোৱাৰী জীয়াৰী হ'তে,
কুটনি-বাছনি লাওনি-পাচনি,
কৰিছে আপনা-মতে।

৮

লৰাই ধৰিছে, আমনি কৰিছে,—
"থিতাতো লাগে ঐ ভাত।"

—এনেকৈ থকাতে, একেটা ঢকাতে,
মা-কেও কৰিছে শাঁত।

৯

সকলো ঘৰতে, এইটি পৰতে
জ্বলিছে অলেখ চাকি;
অজলা চগাই, পিৰীতি লগাই,
দিছেহি জীৱটি বাকি।

১০

যতেকে পাৰিছে, ততকে চৰিছে,
নুশুনি নেমানি হাক,
পদুলি পদুলি খেলিছে গধূলি
লৰা ও ছোৱালী জাক।

১১

ঝি-ঈ-ঈ বুলিয়ে, গাইছে জিলীয়ে,
প্ৰভুৰে মহিমা-গীত
একান্ত মনৰে অনন্ত জনৰে
বিচাৰি আপোনা হিত।

১২

ডিবৰু দাঁতিতে, চাহেবী পটীতে,—
আছে যি সেন্দুৰী আলি,
তাতে ই পৰতে ডঙ্গুৰা ভকতে
চোৱাঁহি ধৰিছে চালি।

১৩

আহা! কেনে সংকলমে, ডেকালৰাবোৰ
ফুৰিছেহি ওভোটাই চুৰিয়াৰ ঠোৰ
নাই বাধা বিঘিনি ও নাই গুৰু জন,
দেখি নিৰজন ঠাই উত্ৰাৱল মন।
গুপুতৰ গুৰি কথা কয় জনে জনে;
কিবা ভেদ পায় আৰু হাঁহে ঘনে ঘনে।
কোনো জনে বখানিছে নিজ ৰূপ-গুণ;
কোনোৱেবা কাৰবাৰ পিন্ধা-উৰা-ধুন;
কোনো জনে নিজ বল ভাবিয়েই আকুল,
নিজে বুধিয়ক জানি কোনো বিয়াকুল;
কোনোটিয়ে নিজকেহে ওপৰখিণ্ড বুলি,
ওৱাইডাং কথা কৈছে বাহু তুলি তুলি;
কত কি যে হাঁহি মাতি, পাতি কত পাঙ,
শূন্য আলাসতে কত সাজি বালি-চাঙ,
ইটে-সিটে টনা-টনি কৰি হুৰামুৰি,
মাজে মাজে একোষাৰি প্ৰেম-গীত ফুৰি,
লাহে লাহে ঠেও-ধৰি ডেকালৰাহঁত,
গা-ঘেলাই গই আছে আলি-ওপৰত।

আনন্দৰে পাৰ নাই, লগৰীয়া পাই;
কিনো কথা কয় মুখে, ভ্ৰু-ভঙ্গেই নাই!
কিবা আহে কিবা যায়, কোনে কৰে কাণ?
মূৰ-মুকলিকৈ ফুৰে নাবাবৰ মান?
প্ৰতি কথাতেই মাথোঁ তোলে আনি প্ৰেম;
কিন্তু এনি ভুও নাই কাক্ বোলে প্ৰেম!
গমিও নেচায় হায়! সেই ডেকা কাল,
হুঁহা-মতা, গীত-মাত, ৰয় কত কাল?

এই যে জীৱন-ফুল, পদুমৰ দৰে,
দেহা-পুখুৰীত থাকে, টল্ বল্ কৰে;
'কাল'-পচোৱা যে আহি কৰে থান থান,—
ডেকাহঁতে সিকথাত দিছে আওকাণ।
খাই-বই সুখে থকা ধৰমকে ধৰি,—
বেদ-কোৰাণৰো কথা উপ্লুঙা কৰি,
টিলিকিতে উৰাইছে যত পুণ্য-পাপ,
ইতিকিঙ—উলাহতে মাৰি তিনি জাপ।

১৪

হেৰা! হেৰা! টপ্‌টলো ডেকালৰাহঁত!
অলপতে কিয় এনে হৈছাঁ উধাৰত?
আলি-বাটে চালি ধৰি, ধিতিঙালি কৰি,
অতপালি কৰাঁ কিয়, মুৰে-ভৰি কাঢ়?
আজি হয় উলাহতে, সাৰ্থক জনম
ভাবিছাঁ যে, পৰস্তেহে পাবা তাৰ গম।
ডেকা-কাল পাই দিছাঁ ধন্য জীৱনক;
কিন্তু হায়! এই দশ অতি ভয়ানক!
একো কথা নোসোধাকৈ গুৰু—'বিবেকক'
নকৰিবাঁ ইকালত, প্ৰাণ যায়ো যক।
জীৱনৰ সোঁৱে বাঁৱে আছে দুটি বাট,
পৰিছাঁহি তোমালোক তাৰে দোমোজাত।
ওলমিছে, ভাল-বেয়া নৰ-জীৱটিৰ,
বাছনিৰ ওপৰতে সেই দুয়োটিৰ।
সেই দুবাটৰে কওঁ, শুনা বিবৰণ;—
বাছি লোৱাঁ নিজে এবে যাৰ যেনি মন।

[সোঁ-বাট]

(পয়াৰ)

(ক)

দুয়ো পিনে ঘন, উলুৱনি বন,
জোঁক লাৰু লাৰু তাত ;
লেউ লেউ কৰি, আছে থিয় ধৰি,
লাগে থোপাথোপে গাত।

(খ)

দুয়ো পিনে ঘন, চোঁৰাতলি বন,
কাঠনি বেঁতনি হাবি!
কত ভয়ঙ্কৰ বাঘ ভালুকৰ
শুনি গিৰিজনি ডাবি!!

(গ)

হাতী পালে পালে, চৰে চাৰি ফালে
তৰাৰ গজালি খাই ;
সিংহ যোৰে যোৰে যুঁজি যুঁজি মৰে
বাটৰুৱা দেখা পাই।

(ঘ)

কত অজগৰ, বনৰীয়া গঁৰ,
ফেঁটী, তৰাদাঁহী, গুঁই
এই আলিটিত, কলা-ঘুমটিত,
আছে বাটে-পথে শুই!

(ঙ)

পালে মানে গম, কালান্তক যম!
একে চাবে আহি ধৰে;
চাৰি পিনে বেৰি, ওপৰতে পৰি
ক্ষণে নেফানেফ্ কৰে।

(চ)

কত মৰা দেহ, নাই কোনো শেহ
আছে ঠায়ে ঠায়ে পৰি!
কাউৰী, শগুনে খায়, ঘনে ঘনে,
আঁজোৰা-পিঁজোৰা কৰি!!

(ছ)

সেই কাঠনিৰ,— সেই জাৰণিৰ
মাজে মাজে এই বাট;
কত আপদৰ,— কত বিপদৰ,
খোজে পতি ভয় তাত!

(জ)

ইবোৰবো পাছে, মূৰকতে আছে,
এটি জইমুনি খাল!—
তাতে এডুখৰি, সাঁকো আছে পৰি,
পচা মদাৰৰ ঠাল!

(ঝ)

কোনো লোকে যদি, সেই সাঁকোৱেদি,
ৰাখি শৰীৰৰ ভাৰ,

অতি আলাসতে, খুপি কোনো মতে
তাকো হ'ব পাৰে পাৰ,—

(ঞ)

আন পাৰলই শেহান্তৰে গই,
পায় এনে খনি ঠাই—
শান্তি অমিৰত আছে যি পুৰীত
নাই কোনো ভয় নাই।

(ট)

নাই তাত আৰু জোঁক লাৰু লাৰু
কাঠ-বে'তনিৰ হাবি,
নাই হাতী, গ'ৰ, বাঘ, ভালুকৰ
সেই গিৰিজান ডাবি!

(ঠ)

নাই কোনো দুখ যেনি-তেনি সুখ;
নাই আতৰণো ভয়;
মাথোঁ চাৰি পিনে, ওৰে ৰাতি দিনে,
শান্তিৰেহে বায়ু বয়।

(ড)

জয়-মালা তাত হয় বজ্রপাত,
পৰে ফুল-বৰষুণ;
'প্রেম'-ৰ'দালিয়ে, চুলি মেলি দি-এ'
কৰে ভোমোৰাকে 'খুন'।

(ঢ)

মউ-পখুৰীত ফুৰে ধেমালিত,
যোৰে যোৰে হাঁহ চৰি;
অতি মবমৰ ভেঁট পদুমৰ
ঠাৰি পাহ পাহ কৰি।

(ণ)

(এনে ময়াছল!) দেখোঁতে দীঘল
যদিস্যাতো এই বাট;
কিন্তু দৰাচলে জখি-মাখি চালে,
নোহে দখোজৰো বাট!!

[বাওঁ-বাট]

(পাপৰ)

(ক)

আহা! কি চিকণ, —কেনে বিতোপণ,
ৰঙা সেন্দুৰিয়া আলি;
অতি ফৰকাল, নিকা চাৰি ফাল,
নাই বোকা ধূলি বালি।

(খ)

দুয়ো পাৰে তাৰ, কত পৰকাৰ
থিয়ৈ আছে শাৰী শাৰী
কৰি জকমক, মহি ভুবনক,—
নানা ফুলনিৰ বাৰী।

(গ)

ফুলি আছে ফুল— কেতেকী, বকুল,
বেলী, চম্পা, জবা, গুটী,
গুলচি, গুৱাল, গধূলি-গোপাল,
সেউতী, মালতী, যূতি,

(ঘ)

কঠনা, কুহুম, পিৰিকা, পদুম
গোলাপ, খৰিকাজাঁই
ধুতুৰা, কাঞ্চন, আৰু কেঞা-বন
নাই সীমা-সংখ্যা নাই!

(ঙ)

নানা তৰহৰ কৰবী, তগৰ
গোন্ধতে আমোল-মোল;
ভেঁট, পাৰিজাত, মৰুৱাৰো ঠাঁট
দেখি, বাটৰুৱা ভোল।

(চ)

চকৰীত চৰাই, কত ভোমোৰাই,
জাঁক মাৰি মাৰি উৰে;
ফুলে ফুলে পৰি, জুতি ধৰি ধৰি,
মউ চাকি চাকি ফুৰে!

(ছ)

কত সুৰে গীত, কত ৰাগিনীত
কুলি মইনাই গাই,

নাচে তালে তালে, টুনী ডালে ডালে,—
নাচে সখিয়তী বাই।

(জ)

ঘন্ চিৰিকাই খঁুটি-তাল বাই
জিলীয়ে বাঁহীৰ গত্ :
চালি ধৰি ধৰি, টকচালি কৰি,
নাচে ম'বা-পক্ষীহ'ত।

(ঝ)

গায় হেটুলুকা, নাচে ফেচুলুকা,—
নাচে বালিমাহী জাক;
ঠেও ধৰি ধৰি, টালিভুলি কৰি
দিয়ে চেৰে চেৰে পাক।

(ঞ)

নাচ-বজা-গীত, উত্ৰাৱলী চিত,
ৰঙ ধেমালিৰে পৰা,
হাঁহি খিকিন্দালি আৰু ভেঙ্গুচালি—
—এয়ে চাৰি পিনে ভৰা!

(ট)

দুয়ো পাৰে বাৰী, আছে শাৰী শাৰী
মউ-ডিমৰুৰ গছ;—
বেল, নাৰিকল, অম্‌ৰিতা, কল,
তৰমুজা, আত্‌লচ্,

(ঠ)

মধুৰি, কঁঠাল, জামু, লেচু, তাল,
বাঙি, নুনি, পনীয়ল,
ঘিমৰু, দালিম, চৌনিচঁপা, ভীম
আছে ভৰি ভৰি তল।

(ড)

আছে যোকা-যোকে পকি থোকা-থোকে,
নানা তৰহৰ গুটি;
কেৰকেটুৱাই পাৰি পাৰি খায়,
মহা সুখে কুটি কুটি!

(ঢ)

বাটৰুৱাটিয়ে, যদি মেলি দিয়ে,
অতি হেপাহেৰে হাত,
ঠালি ভাগি ভাগি, ঠেৰু ছিগি ছিগি,
নিজে সৰি পৰে তাত্!

(ণ)

কিন্তু এই ঠাই এৰি, পোৱা যায়
টুমানি এখন বৰ;
নাই পানী, গছ, মানুহৰো সঁচ্
নাই ছঁয়া, বাৰী, ঘৰ!

(ত)

ৰুউ ৰুউ কৰে, পোৰে এনে দৰে,
যেনে মাছ-ভজা-খোলা;—

লাগে এনে হেন,— পিন্ধি আছে যেন
জুই-আঙনিৰে চোলা।

(থ)

পানী-পিয়াহত, জীৱ ছট্‌ফট্‌
কৰে সেই টুমনিত;
তাৰে পৰা হয় উভতিবলই
ইচ্ছা, গাৰ পোৰণিত!

(দ)

কিন্তু ওচৰতে এটি পৰ্ব্বতত
দেখা যায় এনে হেন—
কুলু কুলু কই, আছে ধীৰে বই,
এটি নিজৰণি যেন।

(ধ)

নাই কোনো ভাত্‌ পানী-খোৱা-ঘাট্‌;—
দুয়ো পাৰে ওখ গৰা;
যি বা এটা আছে, তাবো আগে পাছে
জালী-গাঁতেৰেই ভৰা!

(ন)

তাতে এনে দৰে, ঘন তৰপেৰে
ছাটি ছাঁৰিছে যে বনে,
আছে বলি গাঁত, কাৰো অকস্মাৎ,
নাহে পতিয়নো মনে।

(প)

গাঁত বিলাকৰো— অতি নামনিৰো—
তলে তলে, প্ৰতি পলে,
লাগি ভম্ ভম্, পুৰি ৰম্‌ৰম্
জুই-কুণ্ড এটি জলে!!

(ফ)

যেবে শেহান্তৰে অতি হেপাহেৰে,
কোনো বাটৰুৱাটিয়ে,
সেই ঘাটলই পানী খাবলই
গই, ভৰি খনি দিয়ে,

(ব)

জানো কেনে কৰি, নিমিষতে পৰি
জুই-কুণ্ড-ভিতৰত,
জলি পুৰি হায় তাতে মাৰ যায়,
ছাই ভস্ম এঙাৰত!!

(ভ)

এই ঘাটতেই পৰে হঠাতেই
বাওঁ আলিটিবো ওৰ;
আৰু সেই লগে, তোলে একে যোগে,
ধুন্‌ধুপালিবো হোৰ।

(ম)

মিছা হুতাহৰ আৰু হেপাহৰ,
আশা, কামনাৰ হাট;
দেখোতেহে চুটি, দৰাচলে ইটি,
কোটি যোজনৰ বাট!!

১৫

কোৱাঁ এবে চাই-চিন্তি হেৰা! ডেকাহঁত!
কোন্ কেনি যাব খোজাঁ, কাৰ্ কেনি মত?
নৱ-জীৱনব এয়ে পৰীক্ষা প্ৰধান;—
ইয়াতে হয় আত্মাৰ ভাগ্য পৰিমাণ।
কিন্তু হায়! তোমালোকে যেই 'মিল' পাই,
ভোল্ গৈছাঁ আজি, তাত একো কাম নাই।
এই ডেকা-ধেমালি ও এই হ'লিগ'লি
নেথাকে তো বাৰকাল, একে দৰে চলি।
গলে পতি ল'বা যেবে বিয়া ফাঁহি-ডোল,
তেতিয়াহে ওলাব ই ধেমালিৰো জোল।
সেই চোচনিয়ে তয় টেট্ ধৰি ধৰি
সংসাৰত বুৰুৱাব জলাকলা কৰি।
টানি নিব দিহাদিহি যাক যেনি পায়;
ধনকেহে বিছাৰিবা হাবাথুৰি খাই।
ধনতেহে ধাউতিটো,—ধনতেহে মন,—
ধন-ঘটা বাজে একো নেদেখিবা বন।
থৰ্-কাচুটিকে এৰি, মৰু-জগতত
ধনৰেহে মলাজপি, হবাঁ অনুমত!
গুণনীৰ গুৰি হ'ব লৰা-লুৰি তিৰী,
ঘৰ-বাৰী, খাট-পাম, কেৰু-মণি-বিৰি।
সি কালত লগৰীয়া বন্ধুহঁতলই
চিন্তনিও নাহিব তো এখন্তেকলই।
এই দেখিছোঁ যে আহা! চেনেহতে গলি,
এজনৰ গাত আনে পৰা ঢলি ঢলি;
মৰমৰ আপাহতে কত কি যে বুলি,
আদৰিছাঁ ইটে-সিটে 'ভাই! ভাই!' বুলি,

বন্ধুভাৱে ইটিয়ে সিটিৰ হাত ধৰি,
আলাপিছাঁ চেনেহেৰে মনপ্ৰাণ ভৰি;
যত গুপুতৰ কথা বাজ উলিয়াই,
ইটিয়ে সিটিক কোৱাঁ হিয়া উদঙাই;

১৬

দেখি যেন একে হেন, একে ভাই ভাই,
একে ভাৱ, একে ৰাৱ, ভিন-পৰো নাই।
একে মন, একে বন, একে ভেদ পাই,
একে জৰি কে (উ)-ৰে ধৰি আছাঁ যোত খাই।
কিন্তু হায়! দেখা যায়, এই যত বোৰ
কালে আহি চাহিমুহি পেলাবহি ওৰ।
সেই মিল, খিল্‌খিল্‌—হাঁহি খিকিন্দালি,
হালিজুলি, টালিভুলি আৰু টকচালি;
কোমলালি, সৰলালি, মিতিৰালি গুচি,
চতুৰালি, কপটালি হ'ব খোঁচা-খুঁচি!
ভাই ভাই ঠাই ঠাই হবা ভিন ভিন;
মৰমৰ ধৰমৰ নেথাকিব চিন।
উলাহৰ উছাহৰ যত আলোচনা
সিও পিনে, দিনে দিনে হ'বা 'দিন-কণা'।
গুণা-গঁথা যত কথা পাতিছাঁ যে পাঙ্‌
কাল-নৈয়ে একে ধোৱে কৰিবহি সাঙ!
যেই ধৰা সুখে-ভৰা দেখাঁ, আজি-দিন,
বেজাৰৰ হ'ব ঘৰ, পাবাঁ নিতে চিন।
তেনেহ'লে এনে মিলে আছে কিনো কাম,
যি মিলৰ, শেহান্তৰ এয়ে পৰিণাম?

১৭

আৰু

(ক)

ডেকা বয়সৰ হায়! সেই 'চেহেৰাটি' পায়
ফুৰা আজি তোমালোকে অহঙ্কাৰ কৰি,
এই চাই থাকোঁতেই, দুদিনৰ পাছতেই,
ৰাহু-বুঢ়াকালে আহি নিব তাকো হৰি!

(খ)

জেওবাৰ খাঁৰি যেন কৰিব যে এনে হেন—
নিপোটল শৰীৰকো অতদূৰ খীণ;—
এই সোণা বৰণৰ, এনেৰূপ গঢ়নৰ,
—নেথাকিব ক'তো কোনো একণকো চিন!

(গ)

লাহতী-সেউঁতা—ফলা, মহি-বৰণীয়া ক'লা
নিতে—'পমেটম'—ঘঁহা যতনৰ চুলি,
ৰাহু বুঢ়াকালে ধৰি, বগ যেন বগা কৰি,
লাওখোলা উদঙাই, নিব তুলি তুলি!

(ঘ)

যেই চকু যোৰে হায়! ঘনে কেৰাহিকৈ চাই,
মুহিব যে পাৰে আজি গেঠেলীয়া মন;
সি দুটিও মূৰকত, খোৰোঙৰে ভিতৰত
লাহে লাহে ঘোপা হই, পৰি যাব চন্!

(ঙ)

বিত্‌চকু নলগালে, নমনিবা কোনো ফালে,
জন্মিলেও পৃথিবীৰ সব্‌ বস্তু বোৰ;
তাতে পৰ্‌কিতি লবি, নিতে খকাখুন্দা কৰি,
এৰিবই নোৱাৰিবা জ্‌'হালৰ খোৰ!

(চ)

সেই ওন্দোলোৱা গাল, নিকা শিতলীয়া ছাল,
বুঢ়াকালে কৰিবহি সোটোৰা-সোটোৰ;
নিৰুগীয়া শৰীৰত নিতে হ'ব সি কালত,
—আজি জ্বৰ, কালি খৰ, কত কি যে কোৰ!

(ছ)

হাঁহি-মিচিকনি-মৰা, টান-বস্তু-গুৰি-কৰা
দালিমৰ গুটি হেন দুয়ো পাৰি দাঁত;
সিও ক্ৰমে সৰিগই সোলা-লাপুঙীয়া হই,
কেঁৰা ভাগি নুফুটিব এষাৰিকো মাত!

(জ)

যেই বুকু খনি চাই, ফুৰা আজি ফিন্দুৱাই,
লৌখিব যে পৰা হ'ব তাৰো কামী-হাড়,
দিনে দিনে পমিগই, জ'কাটিহে ৰ'বাগই,
সহিবই নোৱাৰিবা দেহাটিৰে ভাৰ।

(ঝ)

লোহোৰা লোহোৰ হাত, এনে শক্তি আছে যাত—
ক্ষণে বধিবলৈ পাৰে কত হাতী গ'ৰ;
তাৰো এনে হব গতি, —বল নামে একো ৰতি
নেথাকিব, আন্‌ কি যে মাখি খেদাবৰ!

(ঞ)

যেই ক'ঙ্কালৰ বলে, ফুৰা আজি দলে দলে
কাঠনিৰ মতলীয়া গুণ্ডা হাতী যেন;
হায়! তাৰো যোৰা লৰি, ক্ৰমে হলি-ঢলি পৰি,
অন্তত কুঁজা হ'ব ধেনু খনি হেন।

(ট)

যেই ভৰি দুখনৰে ফুৰাঁ, দেশ দেশান্তৰে
খন্তেকতে যাব পাৰা যোজনৰো বাট;
ক্ৰমে ৰগ ঢিলাহই, তাবো এনে হ'বগই—
দুখোজৰ সম্‌ৰথো নেথাকিব গাত!

(ঠ)

ধেমেলীয়া মিতাহ'ত নেপাবাঁ আৰু সিকালত,
এই ধিতিঙালি কৰি ফুৰিৰবলৈ আৰু;
গাইগোটা জগতত, সেই বুঢ়া-বয়সত,
লগৰীয়া হব মাথোঁ লাখুটি ও গাৰু!!

(ড)

এই পৰ্‌কিতি লৰি, অন্য মতি-গতি ধৰি,
মহা কেনেৰীয়া হ'বা তোমালোকে হায়!
অলপতে ঠেহ্‌ ধৰি, কেটেৰা-জেঙেৰা মাৰি,
লগাবাঁ যে ঠোটামোজা নিতে হাই-খাই।

(ঢ)

অতি আখৰুৰা হই, তাৰো পিছে হ'বাগই
নাতি-পুতি বিলাকৰ এটি হাৰমাল্‌;
তযু আল্‌-ধৰোঁতাই ক'ব, আহুকাল পাই,—
'এনে আপদীয়া বোৰ মৰিলেও ভাল।'

(ণ)

লৰা-লৰ্ৰি, ধন-বিত, ৰঙ, ধেমালি ও গীত,
ধৰ্ন-পেঁচ, টকচালি, আলৈ-আহৰ্কাল,
খেতি-বাৰী, হাট বাট, বিয়া, সভা, ভোজ-ভাত
—এই বিলাকো যে আৰ্ নেলাগিব ভাল।

(ত)

যত সংসাৰৰ লেঠা, এৰি সকলোৰে বেথা
সাজ্ হই ৰ'বা মাথোঁ মৰণৰ ফালে;
ইচ্ছা হ'ব এনে হেন— বাঁকি দ্দিনতে যেন
মহা ধৰ্ম্মী হওঁ, পাপ খণ্ডি এৱেকালে।

(থ)

কিন্তু হায়! নাই নাই, থিতাতে নো কোনে পায়,
বৰযৰ্ণ অহা দেখি বিচাৰিলে জাপি?
মিছা খপ্‌জপ্ কৰি, খাবা মাথোঁ হাবাথৰ্ৰি,
আহিব সি মৃত্যুকাল যতেকতে চাপি।

(দ)

খৰ্পৰীতে ফাঁট্-মাৰি, 'হায় হৰ্মৰ্নিয়া' কাঢ়ি,
আহি পালে আহি পালে বৰ্লি যম-কাল,
ভয় আৰ্ ভাবনাত, ল'বা নিতে নিজ গাত,
সৰ্ব্বনাশী মৰণৰ অহা-আট্‌কাল।

(ধ)

মাজে মাজে একোবাৰ, জীৱনৰ পাপ-ভাৰ,
আদি-পৰা অন্তলৈকে, সংঁৱৰি, সংঁৱৰি,
নিজে নিজে ভাবি চাই, নিজেই বিচৰ্তি খাই,
প্ৰতি পলে গাৰ নোম উঠিব শিয়ৰি!

৬

(ন)

কান্দি বিয়াকুল হই, অকলে নিৰ্জ্জনে গই,
অতি কাকুতিৰে ক'বা, দুই হাত তুলি,—
—'হায় বিধি কি কৰিলোঁ, লাভে মূলে হেৰুৱালোঁ
এবে মই অধমক ক্ষমা কৰাঁ' বুলি।

১৮

অকস্মাৎ এনে দৰে থাকোঁতে থাকোঁতে,
এদিন টিপা-দি ধৰি, নিব যম-দূতে!
কোটি পৰিয়ালে হায়! বেৰি থাকিলেও,
এখন্তেকো ৰাখিবকে নোৱাৰিব কেওঁ,
লোৰ গম্ভৰতো যদি থাকা তোমালোক,
তাতে আহি মৰা-কালে মাৰিবহি ঘোঁক!
কাবউ-কোকালিলৈও নকৰিব কাণ,—
কিম্বা কোটি লাখ টকা কৰিলেও দান,
মাটিৰ সজাটি মাথোঁ পৃথিবীতে থই,
জীৱ-পক্ষী ধৰি নিব নিজ দেশলই।
লগা-ভগা চুবুৰীয়া বংশ পৰিয়াল,
বেজাৰত কান্দি কান্দি হ'ব লাল্‌কাল্‌;
কিন্তু সাধ্য নহ'ব যে কোনো এজনৰ,
মৰণৰ পৰা তাক কাঢ়ি ৰাখিবৰ!

১৯

আহা—
জীয়াই থাকোঁতে এবে, যেই খনি মুখ
এখন্তেক আঁৰ হ'লে, কৰে কত দুখ;
কত কন্দা-কটা লাগে, পৰ্‌বাহলই
দুদিনৰ নিমিত্তেও এৰি দিবলই;

নৰিয়াৰ বাৰ্তাৰটি পালে মানে যাৰ,
বিননিত ত্ৰিভুবন কৰে তোলপাৰ;
যাৰ নেওচালৈ হায়! নিজে যাওঁ বুলি,
লৰা, তিৰী আই ভায়ে কান্দে হালিজুলি;
তেনে মৰমৰ বস্তু, ঘিণ ভয় কৰি,
মৰা মাতৰকে হায়! দিব বাজ কৰি!!

২০

হিয়া ধুনি, বুকুপিটি, বংশ পৰিয়াল,
যদিস্যাতো কান্দি কান্দি হ'ব লাল্‌কাল্‌;
কিন্তু তোমালোকে সৈতে মৈদামত গই,
কেওঁ নেথাকিব হায়! লগৰীয়া হই?

২১

বগা ধক্‌ধকীয়াকৈ এডুখৰি কানি,
ধোৱ-পখলাৰ পাছে, পিন্ধাবহি আনি।
সেয়ে মাথোঁ সাজ-পাৰ, সেয়ে তুলি গাৰু;
তাৰুপৰি বেচি কিবা দিব জানো আৰু?
পেৰেঙনি-ওপৰত চাৰি জনে লই,
ভাই বন্ধু সকলোৱে মিলিজুলি গই,
এৰিথই আহিবগৈ মৰিশালনীত;—
—আত্মম্ভৰি জগতৰ এয়ে হৈছে ৰীত!
পৃথিবীতে পৰি ৰ'ব তয়ু ধন সোণ;
শুদা হাতে নেযাবানে?—ভাবি চোৱাঁচোন।

২২

ফুট্‌-গধুলিতে যেই নিধতুৱা প্ৰাণ,
ভূত-পিশাচৰ নামে থৰ্‌থৰিবান,

তেনে ভয়াতুৰ জীৱে অকলেহে গই,
ঘোপ্‌মৰা মৈদামত পৰি ৰ'বাগই।
উহ! কি বিষম কাল সেই সময়ত,
সাৰথিও নহব যে ভাই বন্ধু হ'ত।
আন্‌ কি যে, লৰা-ল'ৰি তিৰী আই ভাই,
যাৰ হন্তে তোমালোকে হাবাথৰি খাই,
কত সঁচা মিছা কই,—কৰি কত পাপ,
এৰি শোৱা-খোৱা-পিন্ধা, সকলোৰে ৰাপ,
তেজ পানী কৰি, ঘটি আনি দিবা ধন,
কত যোগানেৰে তুষ্ট কৰিবাঁহি মন;
তেওঁ বিলাকেও এই মৰমলৈ চাই,
মৈদামৰ লগৰীয়া নহ'ব যে হায়!
মাথোঁ নিজ কৰ্ম্ম-ফল একেলগে গই,
যুগে যুগে থাকিবগৈ যুগমীয়াকই।
উপৰ্জিলা অকলেই,—যাবা অকলেই,
ভুগিবাগৈ কৰ্ম্ম-বেচ সিও অকলেই।
এয়ে জগতৰ ৰীতি, বুজা ডেকাহ'ত!
কিয় মূৰে-ভৰি কাঢ়ি হৈছা উধাৰত?
আৰু সেই মাখনৰ পুতলাটি-দৰে
তযু কুমলীয়া দেহা লোপ্‌থোপ্‌ কৰে,
যাৰ নিমিত্তেই এবে লাগে তুলি, গাৰু,
চকী মুঢ়া, বাগী, ঘোৰা কত কি যে আৰু
ধুন্‌মাৰি ফুৰিবলৈ কত সাজ-পাৰ—
ঠেঙা, চোলা, টুপী, জোতা নানা পৰকাৰ।
তেনে আলসুৱা দেহে, মৰা-পাছে গই,
ধূলি-মাকতিৰে মিলি লেটি-পেটি হই,
মৈদামত আনে-বানে বাগৰি-জুগৰি,
ঠটা মাটিতেহে তেও থাকিবগৈ পৰি।

দুদিনতে গেলি-পচি হ'ব 'ছাৰখাৰ'
পোকে খচি খচি খাই উলিয়াব হাড়,
হাড় বিলাককো পাছে মাটি বনে খাই,
সমূলঞে চিন ছাব দিব নুমুৱাই।
পঞ্চভূতে মিলি যাব তযু পঞ্চভূত;
কোন কোনি যাব কেৱে নেপাবও ফুট!
কিন্তু তুৱা জীৱনৰ যত পাপপুণ,
তাৰ হন্তে আতমাৰ চিটিকিব ধুন;
পুণ্য বেচি হ'লে ব'টা, পাপ হ'লে ড'ৰ;
এবে যেনে ৰুবাঁ, তেনে দাবাঁ শেহান্তৰ।
জীৱটিৰ অন্ত পৰে প্ৰাণী ঢুকালেই;
জীৱ-আত্মাহে মাথোঁ থাকে অকলেই।
তেৱে সকলোৱে বাবে জগৰীয়া হই,
অনন্তত উটে-বুৰে যুগমীয়াকই।
এবে তোমালোকে কৰাঁ যত মানে কাম
গৰাকীৰ ওচৰতো সিটিৰেহে নাম।
গতিকেহে মৰা-পাছে সিটিয়েহে গই
তাৰ বেচ ভূগিবগৈ যুগমীয়াকই!—
—এয়ে জগতৰ ৰীতি, বুজা ডেকাহ'ত!
অলপতে কিয় এনে হোৱা উধাৰত?

শক ১৮১৫
৫ আহিন।

মইমতালি ভাবৰ ভেটি উছন

১

এদিনা গধূলি, আন্ধাৰে যেতিয়া
ছাটিলে পৃথিবী খনি;
চিনিব নোৱৰা হ'লোঁহি একোকে
ভাল্‌কৈ চকুৰে মনি।

২

নেদেখা হ'লোঁহি যেতিয়া, দূৰৰ
পৰ্ব্বত, কাঠনি, বিল,
নিচেই কাষৰে পৰুৱা-পিপৰা,
আপোনা-দেহাৰে তিল;

৩

বেপাৰী, পহাৰী সোমালে যেতিয়া
আপোনা-আপোনা-ঘৰ,
জোপোৰা-বাঁহত চৰাই-চৃকতি;
হাবিত হৰিণা সৰ।

৪

এনেটি পৰতে, কি জানো কি ভাবি
ডিবৰু দাঁতিলৈ গই,
অকলে অকলে বহিলোঁ নিজমে
নানান্‌ ভাবনা লই!

৫

'মৰণ' 'জীৱন'— কত কি ভাবিলোঁ,—
ভাবিলোঁ সংসাৰ-লীলা;
থাউনি নেপাই একোকে পাছত
হ'লোঁ মই স্তব্ধ শিলা।

৬

ইপিনে দেখিলোঁ— শূন্য আকাশত
ওলালে অলেখ তৰা;—
মিৰ্চিকি মিৰ্চিকি হাঁহিটি মাৰিয়ে,
জোনালী কৰিলে ধৰা।

৭

দেখি সি তৰাৰ টাল্টুকি-ভাল্টুকি,
উঠিলে ভাবৰ ঢউ;
লাগিলে এনেহে সুৱদি সি যেন,
মাণিকী-মধুৰী মউ।

৮

আৰ্বাৰ-বিৰ্বাৰ চেলেপু ভাবনা,
এৰিৰদি পৰস্তে মই,
তৰাৰ ভাবতে, উটিলোঁ বুৰিলোঁ
পাগুনি-লিগিৰী লই।

৯

ভাবিলোঁ মনত— তৰাটিহঁতিয়ে
টিটিপিয়াটিপি যে কৰে,
পিৰঠি পছাৰি স্বৰ্গৰ ফাললৈ
আমাকে মাতিছে ঠাৰে।

১০

অনন্ত আত্মাৰ অনন্ত যুঁজত,
জিকাৰু-নিছান তুলি,
মাতিছে আমাক, অনন্ত বাটত
আগুৱা হ'বলৈ বুলি।

১১

বিবেক-বুধিৰে কাটি কোনো মতে
সংসাৰ-ভেলেকী-বাণ,
ঠাৰে ওচিয়াৰে আমাকে মাতিছে
হ'বলৈ উন্নত প্ৰাণ।

১২

আহাহা! কি দৰে জিলিকি চমকি
মুকুতা-চাঙটি হেন,
গোটেই আকাশ পোহৰ কৰিছে,
'যুবিলী'—দেৱালী যেন!

১৩

ইয়াকে চাইহে, লৰালি কালত,
কত নো পালোঁ যে ৰঙ;
কত নো হাঁহিলোঁ, কত নো মাতিলোঁ
কত নো কৰিলোঁ খঙ।

১৪

কিন্তু হা! এতিয়া, বিজ্ঞান-পোহৰে
অবিদ্যা-ঢাকনী ডাঙি
অজলা কালৰ সকলো ভাবনা
খেদালে, ভোঁহাৰি ভাঙি।

১৫

হেজাৰো চালেও এতিয়া আৰু যে'
নেপাওঁ তেনেটি সুখ;
তেনেটি হাঁহিৰে আৰবা নেদেখোঁ
তৰাৰ শুৱনি মুখ!

১৬

আহাহা! ভাবুৱা, আকাশী ভাবটি
এফেৰি পোৱাও হ'লে,
তেনেকৈ ৰঙেৰে হাঁহিলি হে'তেন,
প্ৰত্যেক নিমিষে পলে।

১৭

তেনেকৈ ৰঙেৰে থাকিলি হে'তেন,
ভুমুকা-ভুমুকি কৰি;
টিলিপি টিলিপি নাচিলি হে'তেন,
আকাশী ভাবেৰে ভৰি।

১৮

এই যে দেখিছোঁ তৰাটিহ'তিক
এৰ্কণি এৰ্কণি হেন,
ঢিমিকি ঢিমিকি ঢিমিকি জ্বলিছে,
চাকৰি বন্তি হেন।

১৯

ফলাঙি চকুৰে, যিমান একোটি
দেখিছোঁ ইয়াৰ পৰা,
সিমান সৰু যে নহয় নহয়
গ্ৰহ ও নক্ষত্ৰ তৰা।

হেতু কি?— আমাৰ পৃথিবী বহুত
আঁতৰে থকাৰ বাবে,
চাকিৰ সমান তৰাটি বুলিহে
মানুহে মনেৰে ভাবে।

২১

আচলে সিহঁত নিজেই এখনি
এখনি পৃথিবী মান;
শূন্যতে ওলমি, আবৰি ধৰিছে
প্ৰত্যেকে এখনি থান।

২২

আপোনা-আপোনা— —জোনেৰে সইতে
বেলিৰ চৌপাৰে ঘূৰি,
অনন্ত কাললৈ থাকিব, ইদৰে
সউৰ জগত যুৰি।

২৩

কি-জানো-কি এক মানিব-নোৱৰা
চোঁচনী-ফহতি ধৰি,
ইটিয়ে সিটিক শূন্যতে ৰাখিছে,
সুলকি নপৰা কৰি!

২৪

পৰেও যদিহে, চোঁচনী-টানত,
এফালে হয়গৈ পোন;
হেজাৰো টানিলে, নিছিগে নিছিগে,
এনে সি জৰিৰ গুণ!

২৫

নিখৰ্ব্ব যোজনো দূৰৈই যদিও,
ইটিয়ে সিটিৰ পৰা,
তথাপি নিচেই ওচৰা-ওচৰি
দেখোঁ যে সকলো তৰা।

২৬

কোনোটি ডাঙৰ, কোনোটি সৰুও
কোনোটি মইধমীয়া,
ভাবিলে ইবোৰ, নিৰাশ-ডাৱৰে
আৱৰি ধৰেহি হিয়া।

২৭

আমাৰ পৃথিবী খনিয়ে পাইছে
মুঠেই এটিহে জোন;
বৃহস্পতি ও শনিয়ে পাইছে
চাৰিটি, আঠোটি জোন!

২৮

যেনেকৈ ইয়াত পৰ্ব্বত, ভৈয়াম,
গছনি , পৰাণি আছে,
জলীয়া ধাতু ও সমুদ্ৰ, শিলনি,
তাতো যে তেনেকৈ আছে।

২৯

তাতো যে তেনেকৈ, অদ্ভুত অদ্ভুত
পৰাণি সকলে চৰি,
উন্নতি-বাটত যাবই লাগিছে,
দবৰা-দবৰি কৰি।

৩০

কোনোটি চৰিছে, কোনোটি পৰিছে,
কৰিছে যি যেনে কাম;
আপোনা-আপোনা— —গুণৰ বলেৰে,
পাইছে সি তেনে পাম।

৩১

তৰাই তৰাই (কত যে ধৰাই)
বাগৰি-জুগৰি ফুৰি,
বিৰতি-কঠীয়া সিচোঁতে সিচোঁতে,
উন্নতি-খেতত ঘূৰি,

৩২

নিষ্কাম ধৰমী হ'বলৈ পাৰিছে,
পবানীহঁতৰ যিয়ে
শান্তি-সাগৰত, বুৰ্-দি পাছত,
মুকুতি লভিছে সিয়ে;

৩৩

দ-ঘূলি-মাজত, কাৰণ-পানীৰে
সমূলি মিহলি হই,
তেনেই গুচিছে 'অহং-জ্ঞানবো'
স্বকীয়া ভাবটি—'মই'!

৩৪

তেন্তে এইযে অনন্ত শূন্যৰ
দেখিছোঁ যিমানে তৰা,
প্ৰত্যেক এখনি স্বকীয়া সংতল, (১)
প্ৰত্যেকে এখনি ধৰা!

(১) সংতল=সমতল=plane.

৩৫

প্ৰত্যেক থাণিকা খনিতে যদিহে,
অলেখ পৰাণি আছে;
তেন্তে মুঠতে বিশ্ব-জগতত,
কত যে পৰাণি আছে!!

৩৬

আমাৰ পৃথিবী খনিও মাথোন
তাৰেহে মাজৰে এক,
আনেৰে বিজালেঁ নিচেই সৰু ই,—
নটা ও নোজোৰা ঠেক।

৩৭

ইয়াতে দেখোন— কত যে পৰাণি,
চাৰি মহাদেশ যুৰি—
এচিয়া, য়ুৰোপ, আফ্ৰিকা, পতাল—
সাগৰ সমুদ্ৰ পুৰী।

৩৮

ই চাৰি খনিতো, বেলেগে বিভাগে,
কত যে নুমলী দেশ—
ইংলণ্ড, ভাৰত, কানাডা, মিছৰ
জীৱৰো কত যে ভেশ।

৩৯

ভাৰতবৰ্ষৰো এচুকে, আমাৰ
আজলী অসম খনি;
অসম দেশতো এঘাৰ বিভাগ,
খোলাও এঘাৰ খনি।

৪০

এঘাৰ খোলাতো, কত যে নগৰ,
জিলা, মহকুমা, গাওঁ
টাঙনি, চহৰ মৌজা, তহচিল—
—ভাবিয়ে বিচুৰ্তি খাওঁ।

৪১

ইবোৰ ঠাইতো অত যে পৰাণি!—
—অকলে বতাহী কিয়?—
মাটীয়া, পানীয়া, কত কি বিধৰ
আছে যে কত নো জীৱ!!

৪২

তাৰেহে মাজৰ এখনি জিলাও
এই যে ডিবৰুগড়;
ইয়াৰে সদউ পৰাণি দেখিলে
বিবুধি হয় যে নৰ।

৪৩

গোটেই বিশ্বৰে ৰিজালে, ডিবৰু
দেখাই এনেহে যেন—
টুমনি-মাজত বালীয়া চাহিটি;
সমুদ্ৰ-মাজত ফেন।

৪৪

এনুৱা এফেৰি ঠাইতে দেখোন,
কত যে পৰাণি হায়!
মেনা ও মেঠোন, হাতী, ঘোৰা, গাধ,
ছাগলী, গৰু ও গাই,

৪৫

গাগিনী, বাঘিনী গাহৰি, সিংহ,
ভালুক—ভালুকী, গঁৰ,
শিয়ালো, কুকুৰ, মেকুৰী, এন্দুৰ,
সুগৰী, হৰিণা, সৰ।

৪৬

কাউৰী, কুকুৰা, পৰুৱা-পিপৰা,
মকৰা, চিকৰা উঁই,
ভোমোৰা, বৰল, চেঙেলী, চিতল,
মচোৱা, ফেঁটী ও গুই।

৪৭

মানুহো আছে যে কত কি জাতৰ—
হিন্দু, মোছলমান,
ইহুদি, কাফিৰ, গৌতমী নাস্তিক,
ব্ৰাহ্ম্য, খ্ৰিচটান।

৪৮

পটিয়ে পটিয়ে হেজাৰো ফইদ,—
নানান, বেমেলি জাত
আপোনা-খেলৰ চলন-কৰণ,—
আপোনা-দেশৰ মাত!

৪৯

উৰিয়া, বঙালী, মান্দ্ৰাজী, নেপালী
কেঞা ও কাবুলী ‘দোচ’ *
খামতি, চিঙফো, বিহিয়া, আহুম,
কছাৰী, বিহাৰী, কোঁচ।

* দোচ্—ফাৰ্চি দোস্ত্ শব্দৰ অপভ্ৰংশ; অৰ্থ বান্ধৱ।

৫০

ইয়াৰে মাজৰ তয়ো তো মফিজ!
সামান্য এটিহে জীৱ;
তেন্তে নিজক ডাঙৰ বিবেচি
ফিতাহি মাৰ নো কিয়?

৫১

কথাই পতি যে নিজৰ বখান,—
কথাই পতি যে 'মই';
বিজাই চালেহে বুজিব পাৰিবি,
কিমান কণি নো তই!

৫২

গোটেই বিশ্বৰ প্ৰাণীৰে সইতে
তুলনা কৰিলে তোক,
ইমান, একণি দেখাই, যেনেহে
এ-টি সামান্য পোক!

৫৩

সমুদ্ৰ-মাজত পোনাটি যেনেহে—
পৃথিবী-মাজত লেখি,
গোটেই বিশ্বৰ প্ৰাণীৰে মাজত,
তোক্ও তেনেহে দেখি।

৫৪

সোঁৱা চা! হেজাৰো বালিৰ চাপৰি,
অলেখ বালিৰে ভৰি,
আছে যে সাগৰ, সমুদ্ৰ-পাৰত
ইপিনে সিপিনে পৰি;

৫৫

কোনোৱে যদিহে তাৰেই এ-টি
বালিহে বুটলি লয়,
দেখি সি চাপৰি, পাৰিনে বুজিব—
—হইছে নহৈছে ক্ষয়?

৫৬

তেনেকৈ তয়োতো, বালিৰে নিচিনা
ইমান সৰু যে হায়।
তো-দৰে পৰাণি হ'লো বা নহ'লে,
বিশ্বৰ একোকে' নাই!

৫৭

তো-দৰে জীৱটি আছ বা না'য়েই
কোনে নো কৰিছে কাণ?
পাহৰি কোনেও লেখতো নধৰে,
এনুৱা এখুদু প্ৰাণ!

৫৮

গতিকে মফিজ! এৰি দে এৰি দে
ই 'মইমতালি' তোৰ,
নহলে নিশ্চয় জগত-গিৰীয়ে
তুলিব ইয়াৰ হোৰ!!

শ'ক ১৮১৭
১৫ ফাল্গুন।

আত্মন্

১

হেৰ আকলন! অগিয়ানী মন!
কিয় ৰাতি দিনে কৰ 'ধন ধন'?—
কিয় গেলাইছ কঠীয়াৰ কণ,
এনে সোৰোপালি কৰি?
নেজান নে তোৰ এই খেতি খন,
অলপতে হায়! পৰি যাব চন?
অলপতে তোৰ ভাগ্য ভিকাচন
যাবি দিহাদিহি লৰি?

২

নৰ পামলই পৰস্তে নো তই
ৰাহি নোহাকই, শৃদা হাতে গই,
কঠীয়া নো পাছে সিঁচি কেনেকই,
বৃবি পৰমাৰ্থ ধান?
এই ধনে-ধানে নাহিব তো কাম;
নহব যে তাত এই নামে নাম;
দাবগৈহে যদি পাৰ সেই পাম,
তেহেৰব' তোৰ মান!

৩

হেন জানি তই এতিয়াৰে পৰা,
এৰি একে চাবে এই ওৰাধৰা
কৰোঁ-কৰোঁ বুলি কৰিব-নোৱাৰা
কানীয়া চেলেপদ্ ভাও,

এই লাম্‌ভাম্‌ নেওচা দি এৰি,
গোটা ৰাতি দিনে সেই স'চ ফেৰি,
সেই ভেৰোণেহে দিব দিহা কৰি,
ভৱ-সাগৰৰ নাও!

৪

সেই সমলেৰে তালৈ যেন গই,
কাৰো মুখলই অনা-চোৱাকই,
চহাবলৈ পাৰ ততাতৈয়া কই,
মায়া-চপৰাণি-খন;
পাছে আৰু যেন, চোঙ্‌ সলাবলৈ
আগলৈকো যাতে নলগীয়া হই,
জাহ-যাৱ তাতে, খিলঞ্জিয়াকই,
অন্ত কৰি ৰিপু-ৰণ।

৫

কিন্তু যদিস্যাত হেলাওটা কৰি,
আয়ু-ধন ফেৰি দিয় খয় কৰি'
চাবি!—শেহান্তৰে বিমোৰত পৰি,
নহব একোকে কৰা।
চা-চোঁ তোৰ দৰে কত উপজিলে,—
সৰু, মাজু, বৰ, কত হ'লে গ'লে,
এটি এটি কৰি ক্ৰমে ৰসাতলে
পৃথিবী হ'বৰে পৰা;

৬

সিহ'তৰো এক আছিলে তো প্ৰাণ,
জ্ঞান, বুধি, বল, যশস্যা ও মান,

আশা-কামনাৰ উন্নতিলৈ কাণ,
এবে যেনে তোৰো আছে;
কিন্তু হায়! এনে ভেলেকীতে পৰি,
দুটি এটি বাজে সকলোটি লৰি,
মাথোঁ নিজ নিজ কাচুটিহে ধৰি,
গলে শুদা হাতে পাছে!

৭

নুগুণি যে তাকো, হেৰ আকলন!
কিয় দিনে ৰাতি কৰ 'ধন ধন'?—
কিয় গেলাইছ কঠীয়াৰ কণ,
এনে সোৰোপালি কৰি?
নেজান নে তোৰ এই খেতি খন,
অলপতে হায়! পৰি যাব ছন্;—
অপলতে তোৰ ভাগি ভিকাচন্,
যাবি দিহাদিহি লৰি?

৮

নৰ পামলই পৰস্তেনো তই,
একো নোহাকই শুদা হাতে গই,
কঠীয়া নো পাছে সিঁচি কেনেকই
ৰুবি পৰমাৰ্থ ধান?
এই ধনে-ধানে নাহিব তো কাম;
নহব যে তাত এই নামে নাম;
দাবগৈহে যদি পাৰ সেই পাম,
তেহে ৰ'ব তোৰ মান!

৯

যদিস্যাতো তোৰ এই খেতি খন
দুষ্ট গৰু মহে মাৰে এবে কণ,
সিহঁতকে ধৰি-বান্ধি এতিক্ষণ
লগা নাকী-জৰি ভাল;—
বীৰ-ভমকেৰে তলপীয়া কৰি,—
হালে হালে যুটি (টেঁটু ধৰি ধৰি),—
চেকনীৰে পিঠি ডৰাডৰ কৰি,
বা চোঁ অময়াৰহাল।

১০

নিজে দেখিবলৈ পাবি তেতিক্ষণ,
কেনে দৰে তোৰ হৈছে খেতিখন
উলাহতে আহা! নাচি উঠি মন,
হ'ব হেমাহিও দূৰ,—
আগ-বতৰতে পকি সেই ধান
এনে দৰে তোৰ ৰাখিব যে মান—
নোৱাৰিব কেৰেং কাঢ়িবও চান
থুনুপাকো হব' পূৰ।

১১

যতনেৰে তাকে বান্ধি কুন্ধি লই,
অতি উলাহেৰে সিপুৰীলৈ গই,
কঠীয়ানী এক চাই-চিঁতি লই,
সেই জালোঙাৰে গুটি
সিচি যদিস্যাত, দিয়গৈহে তাত,
খন্তেকতে গজি হ'ব গছ পাত,—

পকা ধানে নিজে লগাব যে মাত,
চোকোৰাৰে পৰা ফুটি!

১২

যদিও বা দুটি গৰু মহে আহি,
মাজে মাজে ডকা দিব খুজিবহি,
সিও ডাকুৰতে লাগি লাগি ফাঁহি,
যাব থিতাদহে মাৰ!
এই চলতেই কাটি ঠোকা ঠোক
ভাৰ বান্ধি বান্ধি লবি জোঁকা জোঁক,
সেয়ে নিগাজিকৈ কৰি দিব তোক
মায়া সাগৰৰ পাৰ।

১৩

এনে বস্তু এৰি কিন্তু হেৰ মন!
বিচাৰিছে তই দুদিনীয়া ধন,
কামনাহে বেঁচি কৰা যাৰ বন
আৰু যত পাপ-তাপ;
যাৰ পৰা হায়! একো লাভ নাই;
মাথো পৃথিবীত বাঢ়ে হাই-খাই
আত্মাও পাছে লঘোনতে যায়,
ভোকে কৰি কাপ্ কাপ্।

১৪

দেখিছ তো নিতে, তোৰ সম্মুখেতে
কত লোকে ধন ঘটি নানা মতে,
এৰি এৰি গৈছে য'ৰ বস্তু ত'তে,
যেনে আহিছিলে তেনে;—

আন কি যে ভূতী সজাটিকো থই,
নিজ আত্মীয়া 'মই' কেহে লই,
এটি এটি কই আছে নিতে গই,
যেয়ে আহিছিলে যেনে।

১৫

যদি বিচাৰিছ ভৱিষ্যৰ হিত,
তেন্তে দিনে ৰাতি কৰি 'বিত বিত',
নপাৰিবি তই মায়া-ফাকটিত,
আশা-ফুচুলনি পাই;
চাৰি!—কেনেবাকৈ পৰ্ যদিস্যাত,
চকু-লোৰে আৰু নেদেখিবি বাট,
ওবে ৰাতি দিনে সিজি কামনাত,
হ'বি জ্বলি-পুৰি ছাই!

১৬

এই পথাৰলৈ য'ত আহিছিলে,
য়্যাৰ পৰা কচোঁ কোনে কিটো নিলে?
প্ৰায় সকলোকে ইহে ফাঁকি দিলে,
মুঠে দু'এজন এৰি;
এই ধনৰেহে লোভ দেখুৱাই,
যত দিন থাকে, ৰাখে টু-টুৱাই,
কাঢ়ি লই, পাছে দিয়ে উলিয়াই,
লাভে মুলে দুয়ো ফেৰি।

১৭

ক্ৰমে দেখিছোঁহি—কৰি 'বিত বিত',—
হেলাবঙে খাটি হাল-যুৱলীত,

পাৰিছহি তয়ো তেনে ফাঁকটিত,
আশা-ফুচুলনি পাই;
কিন্তু এনি তোৰ ইযে আয়ু-নই,
প্ৰতি পলে পলে, গৈছে বই বই
গমি, টলি, দেখোঁ, তাকো চাবলই
কান্-সাৰে (ই) তোৰ নাই।

১৮

দেখি শুনিও যে, হেৰ আবুজন!
কিয় দিনে ৰাতি কৰ 'ধন ধন'?
কিয় গেলাইছ কঠীয়াৰ কণ,
এনে সোৰোপালি কৰি?
নেজান নে তোৱ এই খেতি খন
অলপতে হায়! পৰি যাব চন্?
অলপতে তোৰ ভাগি ভিকাচন্,
যাবি আনে-বানে লৰি?

১৯

নৱ পামলই পৰস্তে নো তই,
ৰাহি নোহাকই শুদা হাতে গই,
কঠীয়া নো পাছে সিচি কেনেকই,
ৰুবি পৰমাৰ্থ ধান?
এই ধনে-ধানে নাহিব তো কাম
নহব যে তাত্ এই নামে নাম,
দাবগৈহে যদি পাৰ সেই পাম,
তেহে ৰ'ব তোৰ মান?

শ'ক ১৮১৮
১৫ ফাল্গুন।

দিন-কণা

১

হেবা! হেৰা! হাটৰুৱা!
মৰমৰ ভাইহঁত!
নেবিবা নেবিবা মোক,
এই মায়া-বজাবত।

২

দুহাত যুৰিছোঁ মই
কাবউ-কাকূতি কৰি;
অকলে নেবিবা মোক,
আলাই-আথানি কৰি।

৩

তোমালোকো যোৱাঁগই;
মোকো হেৰা! লই যোৱাঁ!—
দুখীয়া নিছলা বুলি,
এফেৰি উভতি চোৱাঁ!

৪

হাতৰ লাখুটি ইয়ে,
মেলি দিছোঁ, হেৰা ভাই!
ধঁৰা, ধৰি কোনো মতে
নিয়া মোকো আগুৱাই।

৫

কোনি নো যাবগৈ লাগে,
চকুৰে নমনো মই;
খন্দা ও খন্দানি খাই,
যোনি তেনি পৰোঁগই।

৬

আমাৰ নিচিনা এনে
দুখীয়া লেহেৰা, দেও!
এই বিশ্ব-বজাৰত
নাই আৰু ক'তো কেও!

৭

সি দেখি মাতিছোঁ মই,
অত যে মিনতি কৰি;
আহাঁ,—আহাঁ, ভাইহঁত!
নিয়া মোকো বাহু ধৰি।

৮

বেচি তো নেলাগে মোক,
এফেৰি পোহৰ মুঠে;
তাকে পালে উলাহতে,
হিয়া মোৰ নাচি উঠে।

৯

এটুপি চকুৰ লো,
এখনি কোমল হিয়া,

এষাৰি 'আয়ে দেহি।'
আৰু এটি হুমুনিয়া;

১০

—ইয়াৰ উপৰি, আৰু
একোকে নেলাগে মোক;
ইয়াকে পালেই, মোৰ;
গুচি যাব যত শোক।

১১

আমনি নকৰোঁ আৰু
কাকো ক'তো, হেৰা ভাই!
আহাঁ—আহাঁ!—ঘূৰি আহি,
নিয়া মোকো আগুৰাই।

১২

আগে আগে তোমালোক,
পিছে পিছে ময়ো যাওঁ;
তযু পোহৰে যেন
এচেৰেঙা ময়ো পাওঁ।

১৩

নহলে মৰিম মই,
আলাই-আথানি হই;
কেনিবাদি এন্ধাৰত
খালে বামে পৰি অ'ই।

১৪

ওখোৰা মোখোৰা বাট
তাতে ই এন্ধাৰ ঘোৰ,
তাবোপৰি দুই কান্ধে,
মেট্‌মৰা বোজা মোৰ ;—

১৫

খোজে পতি, উজুটিত
চুলি-আগে গৈছে জীৱ;
হায়! আগে জনা হলে,
আজি এনে দশা কিয়?

১৬

বজাৰতে ভোল্ গলোঁ,
লীলা'মলা চাই চাই;—
চাকি, তেল, শলিতা যে
নেবেহালোঁ হায়! হায়!

১৭

এতিয়া বুজিলে বোলি;
হ'লেহি এন্ধাৰ ঘোপ।
লাহে লাহে ভাগিলেহি,
গৰাকীৰো দল্‌দোপ্।

১৮

অকলে কেনেকৈ যাওঁ
কি হব উপায় মোৰ।

সাৰথিও নাই নাই
　　কিম্বা চাকি-বন্তি জোৰ।

১৯

নিগমে মৰিলোঁ মই,
　　কোন্ কেনি আছাঁহক
উধাৰাঁহি আজি এই
　　দিনকণা অধমক।

২০

এনে নো ধেন্দেলা মোক
　　বিধিয়ে কৰিলে হায়!
উহু! কি কপাল-পোৰা—
　　ভৰিও পিছলি যায়!

২১

খোজে পতি ঘৰামুটি,
　　ঘনে টেলেঙনি খাওঁ;
'সহায় সহায়' কৰি
　　ইপিনে সিপিনে চাওঁ!

২২

নেপাওঁ কোনিও হায়!
　　এখনি সহায়-হাত;
নশুনো কোনিও হায়!
　　এষাৰি শুৱলা মাত।

২৩

যাৰেই গুৰিলৈ যাওঁ,
সেয়ে মুখ ওফোন্দায়;
চকুহে টেলেকা কৰি,
গোঙোৰাকৈ ঘূৰি চায়;

২৪

যেয়ে সেয়ে ছেই ছেই,
য'তে ত'তে দূৰ দূৰ;
যাকে মাতোঁ, সেয়ে মাৰে
কিল, ভুকু, লাঠি, গোৰ।

২৫

হায়! কি কপাল মোৰ,
এয়েনে আছিলে লেখা?
উহু! কি এন্ধাৰ বাট,
নেপাওঁ একণো দেখা!!

২৬

সাৰথি মাথোন এই—
কণাৰ লাখুটি ডালি।
তাৰেহে খোপনি পুতি,
কোনো মতে হালিজালি,-

২৭

এখুজি দুখুজি কৰি
আহিছোঁ, হে ভাইহ'ত!

নেঠেলিবা,—নেঠেলিবা,—
    লোৰাঁ মোকো কাষৰত!

২৮

কাবউ কৰিছো মই,
    দুখনি ভৰিত পৰি;
নিছলা আতুৰ বুলি,
    নিয়া মোকো ধৰি ধৰি।

২৯

খন্তেকলৈ খেনি কৰি,
    খন্তেকলৈ অপমান,
কিয় ভাই! নাহকতে
    বিনাশিবা এটি প্ৰাণ?

৩০

এতেকেহে, লগে-ভাগে,
    নিয়া নিয়া বাহু ধৰি;
কোনো মতে, ময়ো যাতে
    যাব পাৰোঁ, মৰি-পৰি।

৩১

দেখোঁ—অত কাকূতিতো
    নাহিলে যে কেও হায়!
মানুহৰ পৰা তেন্তে,
    আশা আৰু নাই নাই।

৩২

এবে তোমাকেহে খাটো
হে 'প্ৰভু! দয়াময়!'—
আজি মহা বিপদত,
বিতত্-বিচুৰ্তি মই;

৩৩

কেৱেঁ নেতাৰিলে মোক :—
নেলাগিলে কাবো বেথা;
তুমিয়েহে তৰোৱাঁহি,
ভাঙ্গি এই মহা লেঠা;

৩৪

অগতিৰ গতি তুমি,
অনাথৰ নাথ শুনো;
তেন্তে ই বিলই মোৰ,
চাই আছাঁ কেনেকৈ নো:

৩৫

কণা অধমৰ ফালে,
কৃপা-চকু মেলি চাই,
তাৰাহি, হে দয়াময়!
ৰসাতলে গলোঁ হায়!!!

শক ১৮১৭
৪ ব'হাগ।